গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৮ আগষ্ট, ২০২৬/১০ ভাদ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ২০ ● Vol - 15, Issue - 20

কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।

— সম্পাদক

# বানপীড়িত অসমৰ বাবে কেন্দ্ৰই ৫,০০০ কোটি টকাৰ PMAY গৃহ নিৰ্মাণ পেকেজ অনুমোদন



**নতুন দিল্লী ঃ** বানপীড়িত অসমৰ পৰিয়ালসমূহৰ বাবে ভাৰত চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (PMAY-G)ৰ অধীনত প্ৰায় ৫,০০০ কোটি টকাৰ গৃহ সহায়তা অনুমোদন কৰিছে। ইয়াৰ লগতে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ কৃষি আৰু গ্ৰামোন্নয়নৰ বাবেও অতিৰিক্ত সহায় আগবঢ়াইছে। মঙলবাৰে ৰাষ্ট্ৰীয় ৰাজধানীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ মাজত অনুষ্ঠিত এখন বৈঠকত এই সিদ্ধান্তসমূহ লোৱা হয়। বৈঠকৰ সময়ত চৌহানে অসমৰ বাবে PMAY-G ৰ অধীনত ৩.৮ লাখ নতুন ঘৰৰ অনুমোদন পত্ৰ আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে আশ্বাস দিয়ে যে বানৰ ফলত ঘৰ ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহৰ শীঘ্ৰে পুনৰ সংস্থাপন আৰু পুনৰ নিৰ্মাণৰ সুবিধাৰ্থে বানপীড়িত অঞ্চলৰ বাবে অতিৰিক্ত PMAY ঘৰ অনুমোদন দিয়া হ'ব। কেন্দ্ৰীয় মন্ত্ৰীৰ মতে, কোনো যোগ্য বানপীড়িত পৰিয়াল যাতে গৃহ সহায়তা আঁচনিৰ পৰা বাদ নপৰে তাৰ বাবে PMAY-G ৰ অধীনত জৰীপৰ সময়সীমা ১৫ দিনলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰই আৰু সিদ্ধান্ত লৈছে যে ভূমিৰ পট্টা লাভ কৰাৰ পিছত ডিজিটেল জৰীপৰ জৰিয়তে চাহ বাগিচাৰ শ্ৰমিকৰ যোগ্য পৰিয়ালসমূহলৈ PMAY ৰ সুবিধা আগবঢ়োৱা হ'ব। এই পদক্ষেপৰ উদ্দেশ্য হৈছে অসমৰ চাহ বাগিচা সম্প্ৰদায়ৰ মাজত স্থায়ী গৃহৰ সুবিধা সম্প্ৰসাৰণ কৰা। বৈঠকত কৃষিৰ ওপৰত বানৰ প্ৰভাৱ আৰু ক্ষতিগ্ৰস্ত কৃষকসকলৰ বাবে সহায় শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোচনা কৰা হয়। বানপীড়িত কৃষকসকলৰ বাবে কৃষি উন্নতি যোজনা আৰু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY)ৰ অধীনত ৮৩২.৭০ কোটি টকাৰ কৰ্ম পৰিকল্পনা অনুমোদন কৰা হৈছে। ইয়াৰ উপৰিও কৃষি যান্ত্ৰিকীকৰণৰ বাবে ৩৩.৩৬ কোটি টকা আৰু সমন্বিত উদ্যান শস্য উন্নয়ন অভিযান (MIDH)ৰ অধীনত ৯৬.৮৭ কোটি টকা অনুমোদন কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যত কৃষি বিনিয়োগ বৃদ্ধি আৰু বহনক্ষম কৃষিৰ প্ৰসাৰৰ বাবে RKVY ৰ অধীনত অসমলৈ ১৩৯ কোটি টকাৰ অনুমোদন পত্ৰও হস্তান্তৰ কৰে। বৈঠকৰ পিছত X ত দিয়া এটা পোষ্টত চৌহানে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে এই সংকটৰ সময়ত সম্পূৰ্ণ সংবেদনশীলতাৰে অসমৰ জনসাধাৰণৰ কাষত থিয় দিছে। তেওঁ কয় যে বানৰ ফলত হোৱা ক্ষতি, কৃষকসকলে সন্মুখীন হোৱা সমস্যা আৰু গ্ৰামোন্নয়ন সন্দৰ্ভত আলোচনা কৰা হৈছে আৰু এই কঠিন সময়ত অসমক সহায় কৰাৰ বাবে কেন্দ্ৰৰ প্ৰতিশ্ৰুতি পুনৰ দোহাৰে। মুখ্যমন্ত্ৰী হিমন্ত ২ পৃষ্ঠাত

# ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী চাপৰিত 'ছেটেলাইট চিটি' স্থাপনৰ দাবী সদৌ লাহেশ্বৰী যুৱ উন্নয়ন সমিতিৰ

## হাতে হাতে প্লে-কাৰ্ড লৈ ৰাজপথলৈ ওলাই আহিল শতাধিক সমৰ্থনকাৰী



**ৰমেন ভৰালী, বংশৰ ঃ** 'আমাক ছেটেলাইট চিটি লাগিবই। ভৱিষ্যত প্ৰজন্মৰ উন্নয়নৰ স্বাৰ্থত লাহেশ্বৰী চাপৰিত ছেটেলাইট চিটি স্থাপন কৰক' এনেদৰে অসম চৰকাৰৰ প্ৰস্তাৱিত 'ছেটেলাইট চিটি' স্থাপন কৰাৰ সমৰ্থনত ৰাজপথলৈ ওলাই আহিল শতাধিক সমৰ্থনকাৰী পুৰুষ মহিলা। সদৌ লাহেশ্বৰী যুৱ উন্নয়ন সমিতিৰ উদ্যোগত লাহৰ শ্বহীদ বেদীৰ সমীপৰ ৰাজহুৱা প্ৰেক্ষাগৃহত ২৩ আগষ্টত অনুষ্ঠিত হোৱা এখন সভাত 'ছেটেলাইট চিটি' স্থাপনৰ দাবী সজোৰে উত্থাপন কৰা হয়। সমিতিৰ সভাপতি মনোজ কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকি সক্ৰিয় সদস্য ধনজিত নাথে কয় যে, লাহেশ্বৰীৰ চাপৰিত অসম চৰকাৰৰ প্ৰস্তাৱিত ছেটেলাইট চিটিয়ে লাহ-হালোগাঁও-বামুন্দী অঞ্চলৰ ৰাইজৰ উন্নয়ন কৰিব। তেওঁ পুনৰ কয় যে, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোনো দিনে ২ পৃষ্ঠাত

# উন্নয়নৰ দিশ পৰ্যালোচনা কৰাৰ বাবে হেমন্ত চৌধুৰী শুৱালকুছিত



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ হাজো-শুৱালকুছি সমষ্টিৰ শুৱালকুছি উন্নয়ন খণ্ডৰ অন্তৰ্গত পশ্চিম শুৱালকুছি গাঁও পঞ্চায়তৰ উন্নয়নৰ দিশ সম্পৰ্কে পৰ্যালোচনা কৰাৰ বাবে যোৱা ২৫ আগষ্টত অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে উপস্থিত হয়। তেখেতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে মত বিনিময় কৰি সমষ্টিৰ উন্নয়নৰ দিশ সম্পৰ্কে পৰ্যালোচনা কৰে। হেমন্ত চৌধুৰীৰ লগতে শুৱালকুছি খণ্ড উন্নয়ন বিষয়া, শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্ত আদি উপস্থিত আছিল।

# নঞাৰ্থক চিন্তাই সুন্দৰ সমাজ নিৰ্মাণ নকৰে ঃ উপাচাৰ্য আহুজা

## সমন্বয়ৰ প্ৰাথমিক চৰ্ত পাৰস্পৰিক বিশ্বাসবোধ ঃ ড° বসন্ত কুমাৰ গোস্বামী



**ৰমেন ভৰালী, বংশৰ ঃ** "সমাজত মানুহৰ চিন্তা-চেতনা সদায় ধনাত্মক হোৱা উচিত। নঞাৰ্থক চিন্তা-চেতনাই সমাজক বিপথে পৰিচালিত কৰিব পাৰে। ঐক্যবদ্ধ প্ৰচেষ্টাইহে সমাজ নিৰ্মাণত সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব পাৰে।' অসম সাহিত্য সভা আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ জৌহৌলাউ নীলেশ্বৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত অনুষ্ঠিত 'সাহিত্যৰ মাধ্যমেৰে সম্প্ৰীতি' শীৰ্ষক অনুষ্ঠান উদ্বোধন কৰি এই মন্তব্য কৰে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক বি এল আহুজাৰে। ভাষণ প্ৰসংগত তেওঁ লগতে কয় - 'বড়োলেণ্ড বিশ্ববিদ্যালয়ত বিভিন্ন জনগোষ্ঠীৰ লোকৰ অংশগ্ৰহণে ভৱিষ্যতৰ বাবে এক যুগজয়ী স্মৃতি সংৰক্ষণ কৰিলে। অনুষ্ঠানত মুখ্য অতিথি তথা অসম সাহিত্য ৭ পৃষ্ঠাত

# সন্তানক ভাল কামত নিয়োজিত কৰি ৰাখক ঃ অনুৰাধা শৰ্মা পূজাৰী




**মৃদুস্মিতা শৰ্মা বোকাখাত ঃ** ‘সন্তানক কিছুমান ভাল কামত নিয়োজিত কৰি ৰাখক- সেয়া বাৰ্ড ওৱাচিঙেই হওক বা পখিলা নিৰীক্ষণ কৰাই হওক। কাৰণ বৰ্তমান সময়ত ম’বাইলৰ আগ্ৰাসনৰ লগতে আন কেবাটাও কাৰকে সন্তানক বিপথে পৰিচালিত কৰিছে।’ অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ শাখাৰ স্বীকৃতি লাভ কৰা নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ এক অন্তৰঙ্গ আলাপত অংশ লৈ খ্যাতনামা সাহিত্যিক, সাংবাদিক সাহিত্য অকাডেমি বঁটা প্ৰাপক অনুৰাধা শৰ্মা পূজাৰীয়ে এই দৰে কয়। আলাপত অংশ লৈ অভিযন্তা, লেখক প্ৰদীপ পূজাৰীয়ে বহু সমাদৃত গ্ৰন্থ ‘কাঞ্চন’ সৃষ্টিৰ আঁৰৰ বহুখিনি কথা ব্যক্ত কৰে। তেওঁ প্ৰয়াত সাহিত্যিক হোমেন বৰগোহাঞিৰ সান্নিধ্যৰ বিষয়েও উল্লেখ কৰে। শাখাৰ উপ-সভাপতি সংগম পঞ্চাননে আঁত ধৰা এই অনুষ্ঠানতে বংকুমণি শইকীয়াৰ সম্পাদনাত প্ৰকাশিত শাখাৰ বাৰ্তালোচনী ‘দোকমোকালি’ উন্মোচন কৰে সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীয়ে। পিনাক দাসৰ বৰগীতেৰে আৰম্ভ হোৱা অন্তৰঙ্গ আলাপত অংশগ্ৰহণ কৰে শোধনাগাৰৰ মুখ্য মহাপ্ৰৱন্ধক প্ৰণৱজ্যোতি শৰ্মা, ঘনশ্যাম হাজৰিকা, সাংবাদিক ৰিন্টু দুৱৰা, দীপু ভট্ট, বিনোদ গগৈ, ঐশ্বৰ্য বৰুৱা, নিপন শৰ্মা আদিয়ে। শাখা সাহিত্য সভাৰ সদস্য-সদস্যাসকলে দুয়োজন অতিথিকে বিপুলভাৱে সম্বৰ্ধনা জনোৱা অনুষ্ঠানত শলাগ জ্ঞাপন কৰে সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই।

# কালুগাঁও প্ৰেছ ক্লাৱ আৰু বটবৃক্ষৰ উদ্যোগত শলগুৰি মৌজাত ২৫০ৰো অধিক বানাক্ৰান্ত শিক্ষাৰ্থীক শৈক্ষিক লক্ষাধিক টকাৰ সামগ্ৰী বিতৰণ



**কালুগাঁও ঃ** শিৱসাগৰ জিলাৰ শলগুৰি মৌজাৰ বানাক্ৰান্ত শিক্ষাৰ্থীসকলৰ শৈক্ষিক যাত্ৰা অব্যাহত ৰখাৰ স্বাৰ্থত কালুগাঁও প্ৰেছ ক্লাব আৰু স্বেচ্ছাসেৱী সংগঠন বটবৃক্ষৰ উদ্যোগত এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে যোৱা ১৯ জুলাইৰ পৰা হোৱা প্ৰলয়ংকাৰী বানে শিৱসাগৰ জিলাৰ অন্যান্য অঞ্চলৰ লগতে শলগুৰি অঞ্চলত বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীক বিভিন্ন ধৰণে ক্ষতিগ্ৰস্ত কৰে। বিশেষকৈ বানপানীত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন শৈক্ষিক সামগ্ৰী যেনে কিতাপ, বহী, বেগ আদি নষ্ট হয়। ছাত্ৰ-ছাত্ৰীৰ এক বৃহৎ ক্ষতিৰ কিছু সকাহ দিয়াৰ উদ্দেশ্যে কালুগাঁও প্ৰেছ ক্লাব আৰু স্বেচ্ছাসেৱী অনুষ্ঠান ‘বটবৃক্ষ’ৰ যুটীয়া উদ্যোগত তথা মুম্বাইৰ একাংশ মানৱ দৰদী লোকৰ সহযোগত অঞ্চলটোৰ ২৫০ৰো অধিক বানাক্ৰান্ত শিক্ষাৰ্থীৰ মাজত এক লক্ষাধিক টকাৰ শৈক্ষিক সামগ্ৰী বিতৰণ কৰা হয়। দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ৰূপায়ণ কৰা এই বিতৰণ প্ৰক্ৰিয়াটো শলগুৰি মৌজাৰ বিভিন্ন বানাক্ৰান্ত গাঁৱত সম্পন্ন কৰা হয়। সেই মৰ্মে ২২ আগষ্ট তাৰিখে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ সমীপৰ গদাধৰ নগৰ (ক), গদাধৰ নগৰ (খ), বিষ্ণু নগৰ, শলগুৰি তিনিআলি আৰু পাহী গাঁৱৰ শিক্ষাৰ্থীসকলক সামগ্ৰী প্ৰদান কৰা হয়। উক্ত বানাক্ৰান্ত অঞ্চল কেইটাত স্থানীয় কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত শিক্ষণ সামগ্ৰীসমূহ বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীক বিতৰণ কৰা হয়। একেটা কাৰ্যসূচীৰ অংশৰূপে ২৩ আগষ্ট তাৰিখে কালুগাঁও ৰূপজানৰ দহোটিয়া চুক, বামুণবাৰী, মগৰাহাট দোলাকাষৰীয়া, দেৱালয় গায়ন গাঁও, হোলাপাৰ, গায়ন গাঁও আৰু জেৰেঙা অঞ্চলৰ শিক্ষাৰ্থীসকলৰ মাজত শৈক্ষিক সামগ্ৰীসমূহ স্থানীয় ৰাইজৰ উপস্থিতিত বিতৰণ কৰা হয়। এই দুই দিনৰ কাৰ্যসূচীত দুয়োটা অনুষ্ঠানৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু সমাজকৰ্মীয়ে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। কালুগাঁও প্ৰেছ ক্লাবৰ সভাপতি তথা বটবৃক্ষৰ প্ৰধান সম্পাদক ৰাজকুমাৰ কনচেঙ, জ্যেষ্ঠ সাংবাদিক তথা কালুগাঁও প্ৰেছ ক্লাৱৰ উপ-সভাপতি জয়জ্যোতি গগৈ, বটবৃক্ষৰ মুখপাত্ৰ বসন্ত দত্ত, বটবৃক্ষৰ সভাপতি দিলীপ আৰন্ধৰা, উপদেষ্টা নৃপেন গগৈ, কালুগাঁও প্ৰেছ ক্লাৱৰ উপদেষ্টা তথা শিক্ষক সৌৰভ নেওগ, কালুগাঁও প্ৰেছ ক্লাবৰ সম্পাদক অচিন্ত্য বৰঠাকুৰ, কালুগাঁও প্ৰেছ ক্লাৱৰ সদস্য তথা শিক্ষক প্ৰকাশ দত্ত, প্ৰেছ ক্লাৱ সদস্য তথা যুৱ সমাজকৰ্মী দীপজ্যোতি কাকতি, বটবৃক্ষৰ বিষয়ববীয়া থানেন্দ্ৰ বৰগোহাঁই, কবীন চন্দ্ৰ দত্ত, ৰুবুল বৰা, ৰুবুল বৰুৱাৰ লগতে দুয়োটা অনুষ্ঠানৰ অন্যান্য বিষয়ববীয়া তথা স্থানীয় ৰাইজৰ সহযোগত কাৰ্যসূচী সূচাৰুৰূপে সামৰণি পৰে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত বানাক্ৰান্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক মানসিকভাৱে সবল কৰাৰ লগতে শৈক্ষিক দিশত আগুৱাই যাবলৈ গ্ৰহণ কৰা এই পদক্ষেপক স্থানীয় ৰাইজ তথা সচেতন মহলে প্ৰশংসা কৰিছে।

# UHSA নামৰ স্বেচ্ছাসেৱী সংগঠনৰ পৰা চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বিভিন্ন স্থানত বান সাহায্য বিতৰণ



**ৰমেন ভৰালী, বংশৰ ঃ** United Hands for Social Advancement (UHSA), নামৰ স্বেচ্ছাসেৱী সংগঠনৰ পৰা চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বিভিন্ন স্থানত বান সাহায্য বিতৰণ কৰা হয়। যোৱা ২১ আগষ্টত সংস্থাৰ সদস্য ড° মোহন শৰ্মাৰ নেতৃত্বত স্বেচ্ছাসেৱী সংগঠনৰ চৰাইদেউ জিলাৰ সদস্য তথা সোণাৰি বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক পৰিণীতা গগৈ, অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ কেন্দ্ৰীয় উপ-সমিতিৰ কাৰ্যকৰী সদস্য তথা বিশিষ্ট লেখিকা, চুটিগল্পৰ পৃথিৱী, অসমৰ উপ-সভাপতি পূৰৱী বৰুৱা ফুকন, চৰাইদেউ জিলা সাংবাদিক সন্থাৰ সভাপতি ৰফিক আহমেদ, লেখিকা আৰতি বৰা আৰু তৰু বড়াৰ সহযোগত বানপিড়ীত ৰাইজৰ মাজত বিভিন্ন সামগ্ৰী বিতৰণ কৰা হয়। সংস্থাৰ সদস্যসকলক সহযোগিতা কৰে সোণাৰি বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ সন্মানীয় লাকী ঢেকিয়াল ফুকন ডাঙৰীয়ানীয়ে। আনহাতে চৰাইদেউ জিলাৰ বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীৰ বাবে স্কুল বেগ, ছাতি, বহী, কলম আদি শৈক্ষিক সামগ্ৰী আৰু দুৰ্গত লোকৰ বাবে খাদ্য সামগ্ৰী প্ৰেৰণ কৰে গুৱাহাটী গীতানগৰৰ দহজনীয়া এটি যুৱক-যুৱতীৰ দলে। সামগ্ৰীসমূহ বিতৰণত সহায় কৰে, চৰাইদেউ জিলাৰ সু-লেখিকা তথা অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ কেন্দ্ৰীয় কাৰ্যকৰী সদস্য পূৰৱী বৰুৱা ফুকন, কবি তথা সু-লেখিকা আৰতি বৰা, চৰাইদেউ জিলা সাংবাদিক সন্থাৰ সভাপতি ৰফিক আহমেদ আৰু কবি তৰু ডি বড়ায়। নৱপ্ৰজন্মৰ এইসকল যুৱক-যুৱতী ক্ৰমে — সুলক্ষণা শইকীয়া, সাই আদৰ্শ, প্ৰিয়াংশু জৈন,আয়ান চক্ৰৱৰ্তী, বানশিকা, ঋষভ গুপ্তা, মাৰ্লি, দিক্ষা, অমন, শিৱাসিশ আৰু নয়ন। পিড়ীত ৰাইজৰ প্ৰতি তেখেতসকলৰ সহানুভূতি আৰু মানৱীয় মূল্যবোধৰ শলাগ লয় চৰাইদেউ বাসী বানপীড়িত ৰাইজে।

# ভাৰতীয় সাংবাদিক মহাসংঘৰ শিৱসাগৰ জিলাৰ পূৰ্ণাংগ সমিতি গঠন

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ ঃ** ৰাষ্ট্ৰীয় সাংবাদিক সংগঠন ‘ভাৰতীয় সাংবাদিক মহাসংঘ’ (Indian Journalists Federation - IJF) অসম ৰাজ্যিক সমিতিৰ অন্তৰ্গত শিৱসাগৰ জিলা সমিতিৰ এখন জৰুৰী বৈঠক শিৱসাগৰৰ আমোলাপট্টিত সফলতাৰে অনুষ্ঠিত হৈ যায়। জিলা সমিতিৰ সভাপতি অমৃত কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই গুৰুত্বপূৰ্ণ বৈঠকত সংগঠনটোৰ অনাগত দিনৰ কাৰ্যসূচী আৰু সাংগঠনিক দিশৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকৰ আৰম্ভণিতে সম্পাদিকা অৰ্পণা ভৰালীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। মহাসংঘৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে উক্ত সভাতেই সৰ্বসন্মতিক্ৰমে দিগন্ত বৰাক কাৰ্যকৰী সভাপতি, পংকজ গোয়েলক উপ-সভাপতি আৰু অনুপম ভৰালীক সহকাৰী সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। ইয়াৰ উপৰি কৃতিদীপ্ত ভূঞা আৰু বিশ্বজিৎ পাঠক আদিক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰি ভাৰতীয় সাংবাদিক মহাসংঘৰ শিৱসাগৰ জিলাৰ এখন পূৰ্ণাংগ সমিতি গঠন কৰা হয়। নৱগঠিত সমিতিখনে জিলাখনৰ সাংবাদিকসকলৰ অধিকাৰ সুৰক্ষিত কৰা আৰু সংবাদ ক্ষেত্ৰখনৰ উত্তৰণৰ বাবে নিষ্ঠাৰে কাম কৰি যাব বুলি সংবাদ মাধ্যমৰ জৰিয়তে জানিবলৈ দিয়ে।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## বানপীড়িত অসমৰ বাবে কেন্দ্ৰই ৫,০০০ কোটি টকাৰ

বিশ্ব শৰ্মাই অসমক অগ্ৰাধিকাৰ দিয়া আৰু কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা দ্ৰুত সিদ্ধান্তৰ বাবে চৌহানক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰায় ৫,০০০ কোটি টকাৰ বিনিয়োগ জড়িত ৩.৮ লাখ নতুন PMAY ঘৰৰ অনুমোদনে বানপীড়িত পৰিয়ালসমূহক গুৰুত্বপূৰ্ণ সহায় আগবঢ়াব। তেওঁ বানপীড়িত অঞ্চলৰ বাবে অতিৰিক্ত ঘৰৰ আশ্বাস আৰু অসমৰ চাহ বাগিচা সম্প্ৰদায়ৰ বাবে অধিক গৃহ সহায়তাকো আদৰণি জনায়। বানৰ সময়ত অসমৰ জনসাধাৰণৰ কাষত দৃঢ়তাৰে থিয় দিয়া আৰু পুনৰ সংস্থাপন, কৃষি আৰু গ্ৰামোন্নয়নৰ বাবে সময়োপযোগী সহায় আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী আৰু ভাৰত চৰকাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

## ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী চাপৰিত ‘ছেটেলাইট চিটি’ স্থাপনৰ

অসমৰ খিলঞ্জীয়া ৰাইজৰ অপকাৰ হ’বলগীয়া কাম কৰা নাই আৰু ভৱিষ্যতেও নকৰে। বৰঞ্চ এই ছেটেলাইট চিটি নিৰ্মাণৰ ফলত এই অঞ্চলত ব্ৰহ্মপুত্ৰ নদীয়ে যি গৰাখহনীয়াৰ সৃষ্টি কৰিছিল সেই গৰাখহনীয়া ৰোধ হ’ব আৰু কৃষক ৰাইজ এই ক্ষেত্ৰত যথেষ্ট উপকৃতহে হ’ব। সভাত উপস্থিত থাকি প্ৰাক্তন আছু কৰ্মী অজিত দাসে কয় যে, এই ছেটেলাইট চিটি স্থাপনৰ জৰিয়তে নিৰনুৱা সমস্যাৰ সমাধানৰ পথ মুকলি হোৱাৰ উপৰিও এই অঞ্চলৰ কৃষকসকলে বানপানীৰ সমস্যাৰ পৰা মুক্ত হ’ব। আনহাতে স্থানীয় ৰাইজৰ একাংশই ছেটেলাইট চিটি এই অঞ্চলত স্থাপন হ’লে কি কি সুবিধা লাভ কৰিব পাৰিব জানিব বিচৰাত সভাত উপস্থিত থকা সমিতিৰ বিষয়ববীয়া সকলে বিতংভাৱে ব্যাখ্যা কৰে। উল্লেখ্য যে, ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী সুঁতিৰ চাপৰিত চৰকাৰৰ প্ৰস্তাৱিত ছেটেলাইট চিটিৰ বিৰোধীতাৰে একাংশ ৰাইজে ইতিমধ্যে স্থানীয় বিধায়ক, জিলা উপায়ুক্ত, মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰা বুলিও জানিব পৰা গৈছে। সভাত লাহ-কয়াটোল পঞ্চায়তৰ সদস্য পুলেন নাথ, সদৌ লাহেশ্বৰী যুৱ উন্নয়ন সমিতিৰ সম্পাদক লক্ষ্মণ নাথ, সদস্যসকলৰ উপৰিও বিভিন্ন দল-সংগঠনৰ সদস্য উপস্থিত থাকে।

# দক্ষ ভাৰত গঢ়াৰ দিশত চৰকাৰী দক্ষতা বিকাশ আঁচনি

■ ড° বুলজিৎ বুঢ়াগোহাঁই

**ভা**ৰতৰ অৰ্থনীতি, সমাজ আৰু সংস্কৃতিৰ সৈতে কৃষিৰ সম্পৰ্ক যুগ যুগ ধৰি গভীৰভাৱে সংপৃক্ত হৈ আছে। কৃষি কেৱল খাদ্য উৎপাদনৰ মাধ্যমেই নহয়; ই গ্ৰাম্য অৰ্থনীতি, জীৱিকা আৰু সামাজিক জীৱনৰ এক গুৰুত্বপূৰ্ণ ভেটি। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে কৃষিৰ ৰূপো সলনি হৈছে। আধুনিক কৃষি এতিয়া কেৱল হালবোৱা, মাটি চহোৱা আৰু শস্য চপোৱাৰ মাজতে সীমাবদ্ধ নহয়। বিজ্ঞান, তথ্য-প্ৰযুক্তি, যান্ত্ৰিকীকৰণ, জৈৱ-প্ৰযুক্তি, পৰিচালনা, উদ্যোগীকৰণ আদিৰ সংযোজনে কৃষিক এক আধুনিক, প্ৰযুক্তিনিৰ্ভৰ আৰু বহুমাত্ৰিক পেছাদাৰী ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিছে।

এই পৰিৱৰ্তনৰ ফলত কৃষি আৰু সহযোগী খণ্ডত বহু নতুন দক্ষ বৃত্তিৰ সৃষ্টি হৈছে। বিশেষকৈ দীঘলীয়া একাডেমিক শিক্ষাৰ পৰিৱৰ্তে ব্যৱহাৰিক আৰু কাৰিকৰী দক্ষতা আহৰণ কৰি সোনকালে কৰ্মজীৱনত প্ৰৱেশ কৰিব বিচৰা যুৱক-যুৱতীৰ বাবে এই খণ্ডত যথেষ্ট সম্ভাৱনা আছে। কৃষি, উদ্যান শস্য, মীন পালন, পশুপালন, ৰেচম, চাহ উদ্যোগ আদিৰে সমৃদ্ধ অসমৰ দৰে ৰাজ্যত এই সুযোগ আৰু অধিক বিস্তৃত।

আধুনিক কৃষিৰ মূল লক্ষ্য হৈছে উৎপাদন বৃদ্ধি কৰাৰ লগতে পানী, মাটি, সাৰ, শক্তি আৰু অন্যান্য সম্পদৰ সঠিক ব্যৱহাৰ, উৎপাদন ব্যয় নিয়ন্ত্ৰণ আৰু গুণগত মান বজাই ৰখা। এই কামত অভিজ্ঞ কৃষকৰ লগতে প্ৰশিক্ষিত কাৰিকৰী কৰ্মীৰো প্ৰয়োজন হয়। ফলস্বৰূপে কৃষি-প্ৰযুক্তিৰ বিভিন্ন শাখাত বিশেষ দক্ষতা থকা ব্যক্তিৰ চাহিদা বৃদ্ধি পাইছে।

এগ্ৰিকালচাৰেল ফিল্ড টেকনিচিয়ান তেনে এক গুৰুত্বপূৰ্ণ বৃত্তি। তেওঁলোকে কৃষকৰ সৈতে পোনপটীয়াকৈ কাম কৰি উন্নত বীজ, সাৰ, জলসিঞ্চন, শস্য ব্যৱস্থাপনা, ৰোগ আৰু কীট-পতংগ নিয়ন্ত্ৰণ আদি বিষয়ত কাৰিকৰী সহায় আগবঢ়ায়। কৃষি বিভাগ, কৃষিভিত্তিক কোম্পানী, বীজ আৰু সাৰ প্ৰতিষ্ঠান, কৃষি বিজ্ঞান কেন্দ্ৰ আদি ক্ষেত্ৰত এনে দক্ষ কৰ্মীৰ সুযোগ আছে। একেদৰে পৰিৱেশ অনুকূল আৰু বহনক্ষম কৃষিৰ প্ৰতি আগ্ৰহ বৃদ্ধি পোৱাৰ ফলত অৰ্গেনিক ফাৰ্মিং টেকনিচিয়ানৰ গুৰুত্ব বৃদ্ধি পাইছে। পচন সাৰ, জৈৱিক সাৰ, প্ৰাকৃতিক কীটনাশক, বহনক্ষম কৃষি পদ্ধতি আদিৰ ব্যৱহাৰ সম্পৰ্কে ব্যৱহাৰিক জ্ঞান থকা ব্যক্তিয়ে চাকৰিৰ লগতে নিজাকৈ জৈৱিক কৃষি উদ্যোগো গঢ়ি তুলিব পাৰে।

কৃষিৰ সৈতে ডিজিটেল প্ৰযুক্তিৰ সংযোগে এই খণ্ডত এক নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। মাটি, পানী, বতাহ আৰু শস্যৰ তথ্য সংগ্ৰহ আৰু বিশ্লেষণৰ জৰিয়তে অধিক বৈজ্ঞানিক সিদ্ধান্ত গ্ৰহণ সম্ভৱ হৈছে। প্ৰিচিচন এগ্ৰিকালচাৰ টেকনিচিয়ানসকলে জিপিএছ, চেন্সৰ, ছেটেলাইট ইমেজিং, ডাটা এনালাইছিছ আদিৰ সহায়ত কৃষিক্ষেত্ৰৰ বিভিন্ন তথ্য বিশ্লেষণ কৰি উৎপাদনশীলতা বৃদ্ধি আৰু সম্পদৰ অপচয় হ্ৰাস কৰাত সহায় কৰে।

কৃষিক্ষেত্ৰত ড্ৰ'নৰ ব্যৱহাৰে নতুন কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিছে। শস্য পৰ্যবেক্ষণ, পথাৰৰ অৱস্থা নিৰীক্ষণ আৰু কিছুমান কৃষি কাৰ্যত ড্ৰ'ন ব্যৱহাৰ কৰিব পৰা যায়। সেয়েহে এগ্ৰিকালচাৰেল ড্ৰ'ন অপাৰেটৰৰ দৰে দক্ষ পেছাৰ গুৰুত্ব বৃদ্ধি পাইছে। ভৱিষ্যতে কৃত্ৰিম বুদ্ধিমত্তা, ৰিম'ট চেন্সিং আৰু ইণ্টাৰনেট অৱ থিঙছ (আইঅ'টি)ৰ ব্যৱহাৰ বৃদ্ধি পালে কৃষি অধিক তথ্য-চালিত আৰু স্বয়ংক্ৰিয় হৈ উঠিব।

পানী কৃষিৰ অন্যতম মূল্যৱান সম্পদ। পানীৰ অপচয় কমাই উৎপাদন বৃদ্ধি কৰিবলৈ ড্ৰিপ, স্প্ৰিংকলাৰ আৰু অন্যান্য ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাৰ ব্যৱহাৰ বৃদ্ধি পাইছে। ইৰিগেচন টেকনিচিয়ানসকলে এই ব্যৱস্থাসমূহ স্থাপন, পৰিচালনা আৰু ৰক্ষণাবেক্ষণ কৰে। সৌৰশক্তিচালিত পানী পাম্পৰ প্ৰসাৰেও এই ক্ষেত্ৰত নতুন সুযোগ সৃষ্টি কৰিছে।

আনহাতে, কৃষি যান্ত্ৰিকীকৰণে উৎপাদনৰ গতি আৰু কাৰ্যক্ষমতা যথেষ্ট বৃদ্ধি কৰিছে। ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, ৰ'টাভেটৰ, হাৰ্ভেষ্টাৰ, ছিড ড্ৰিল , ৰাইচ ট্ৰান্সপ্লাণ্টাৰ আদি যন্ত্ৰপাতিৰ ব্যৱহাৰ বাঢ়ি অহাৰ লগে লগে ফাৰ্ম মেচিনেৰী টেকনিচিয়ান আৰু ট্ৰেক্টৰ মেকানিকৰ চাহিদাও বৃদ্ধি পাইছে। যন্ত্ৰপাতি মেৰামতি আৰু ৰক্ষণাবেক্ষণত দক্ষ ব্যক্তিয়ে কৃষি যন্ত্ৰপাতি ভাড়া কেন্দ্ৰ বা সেৱা কেন্দ্ৰ স্থাপন কৰি স্ব-নিয়োজনৰ পথো বাছি ল'ব পাৰে।

জলবায়ু পৰিৱৰ্তন আৰু বতৰৰ অনিশ্চয়তাৰ পৰিপ্ৰেক্ষিতত সংৰক্ষিত খেতিৰ গুৰুত্ব ক্ৰমান্বয়ে বৃদ্ধি পাইছে। গ্ৰীণহাউচ আৰু পলিহাউচত নিয়ন্ত্ৰিত পৰিৱেশ সৃষ্টি কৰি শাক-পাচলি, ফুল, ফল-মূল আৰু উচ্চমূল্যৰ শস্য উৎপাদন কৰা হয়। গ্ৰীণহাউচ টেকনিচিয়ানসকলে উষ্ণতা, আদ্ৰতা, জলসিঞ্চন, সাৰ প্ৰয়োগ আৰু উদ্ভিদৰ স্বাস্থ্য নিৰীক্ষণ কৰে। একেদৰে হৰ্টিকালচাৰ টেকনিচিয়ান, নাৰ্চাৰী টেকনিচিয়ান আৰু ফ্লৰিকালচাৰ টেকনিচিয়ানৰ বাবেও সুযোগ আছে। নাৰ্চাৰী, ফুলৰ খেতি, ফলৰ বাগিচা আৰু ঔষধি উদ্ভিদৰ ব্যৱসায়ে যুৱক-যুৱতীক উদ্যোগী হোৱাৰ সুযোগ প্ৰদান কৰে। অসমৰ দৰে ৰাজ্যত কৃষিৰ সহযোগী খণ্ডসমূহ বিশেষভাৱে সম্ভাৱনাময়। কম মাটিত তুলনামূলকভাৱে কম বিনিয়োগেৰে কাঠফুলা খেতি আৰু মৌপালনৰ দৰে উদ্যোগ আৰম্ভ কৰিব পাৰি। এই ক্ষেত্ৰসমূহে গ্ৰাম্য অঞ্চলত বিকল্প আয়ৰ উৎস সৃষ্টি কৰাৰ লগতে স্থানীয় বজাৰৰ চাহিদাও পূৰণ কৰিব পাৰে।

ৰেচম শিল্প অসমৰ এক গুৰুত্বপূৰ্ণ সম্ভাৱনাময় ক্ষেত্ৰ। মুগা, এৰি আৰু পাটৰ ৰেচমৰ সমৃদ্ধ ঐতিহ্যক আধুনিক পালন পদ্ধতি, প্ৰযুক্তি, ডিজাইন, প্ৰক্ৰিয়াকৰণ আৰু বজাৰ ব্যৱস্থাপনাৰ সৈতে সংযোগ কৰিব পাৰিলে ৰেচমভিত্তিক ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ গঢ়ি তোলাৰ যথেষ্ট সুযোগ আছে।

পশুপালন, দুগ্ধ আৰু হাঁহ-কুকুৰা পালনতো দক্ষ কৰ্মীৰ প্ৰয়োজন বৃদ্ধি পাইছে। ডেইৰী ফাৰ্ম টেকনিচিয়ান, লাইভষ্টক এছিষ্টেণ্ট আৰু পোলট্ৰী ফাৰ্ম টেকনিচিয়ানসকলে পশু খাদ্য, স্বাস্থ্য, উৎপাদন আৰু ফাৰ্ম ব্যৱস্থাপনাত সহায় কৰে। একেদৰে ফিছাৰিজ টেকনিচিয়ান আৰু হেচেৰী টেকনিচিয়ানসকলে মাছৰ পোনা উৎপাদন, পুখুৰী ব্যৱস্থাপনা আৰু জলজ কৃষিৰ উৎপাদনশীলতা বৃদ্ধিত ভূমিকা পালন কৰে।

মাটিৰ স্বাস্থ্যও আধুনিক কৃষিৰ এক গুৰুত্বপূৰ্ণ বিষয়। ছইল টেষ্টিং টেকনিচিয়ানসকলে মাটিৰ গুণাগুণ পৰীক্ষা কৰি উপযুক্ত সাৰ আৰু শস্য নিৰ্বাচনৰ ক্ষেত্ৰত কৃষকক সহায় কৰে। চীড প্ৰডাকশ্যন টেকনিচিয়ানসকলে উন্নতমানৰ বীজ উৎপাদন আৰু সংৰক্ষণৰ কাম কৰে। আনহাতে, ভাৰ্মিকম্পোষ্ট টেকনিচিয়ানসকলে জৈৱিক পদ্ধতিৰে মানসম্পন্ন সাৰ প্ৰস্তুত কৰাত সহায় কৰে। এই দক্ষতাসমূহৰ ওপৰত ভিত্তি কৰি মাটি পৰীক্ষা সেৱা, বীজ উৎপাদন বা জৈৱিক সাৰ প্ৰস্তুতকৰণৰ দৰে ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিব পাৰি।

কৃষিৰ আন এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হৈছে উৎপাদিত সামগ্ৰীৰ সংৰক্ষণ, প্ৰক্ৰিয়াকৰণ আৰু বজাৰ সংযোগ। উপযুক্ত সংৰক্ষণ আৰু প্ৰক্ৰিয়াকৰণৰ অভাৱত বহু কৃষিজাত সামগ্ৰী নষ্ট হয়। সেয়েহে ফুড প্ৰচেছিং টেকনিচিয়ান, কোল্ড ষ্ট'ৰেজ টেকনিচিয়ান আৰু এগ্ৰিকালচাৰেল মাৰ্কেটিং এছিষ্টেণ্টৰ দৰে বৃত্তিৰ গুৰুত্ব বৃদ্ধি পাইছে। ফলমূল, শাক-পাচলি, মাছ, মাংস আৰু দুগ্ধজাত সামগ্ৰীৰ মূল্য সংযোজন কৰি বজাৰত উপস্থাপন কৰিলে কৃষকৰ আয় বৃদ্ধি কৰাৰ লগতে নতুন উদ্যোগ আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব পাৰি। ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ ইউনিট, পেকেজিং কেন্দ্ৰ আৰু শীতল সংৰক্ষণ ব্যৱস্থা এই ক্ষেত্ৰৰ সম্ভাৱনাময় উদ্যোগ।

কৃষি আৰু সহযোগী খণ্ডৰ অন্যতম বিশেষ সুবিধা হ'ল-ইয়াত কেৱল চাকৰিৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। দক্ষতা আৰু ব্যৱসায়িক পৰিকল্পনা থাকিলে নিজাকৈ উদ্যোগ আৰম্ভ কৰাৰ যথেষ্ট সুযোগ আছে। জৈৱিক কৃষি, নাৰ্চাৰী, মৌপালন, হাঁহ-কুকুৰা পালন, মীন পালন, ৰেচম, খাদ্য প্ৰক্ৰিয়াকৰণ, কৃষি যন্ত্ৰপাতি ভাড়া সেৱা অথবা কৃষি-প্ৰযুক্তিগত পৰামৰ্শ সেৱা আদি ক্ষেত্ৰত উদ্যোগ গঢ়ি তুলিব পাৰি। অৱশ্যে সফল কৃষি-উদ্যোগীৰ বাবে কাৰিকৰী জ্ঞানৰ লগতে বজাৰ বিশ্লেষণ, গ্ৰাহকৰ প্ৰয়োজন বুজা, ডিজিটেল বিপণন, হিচাপ-নিকাচ, ব্যৱসায় পৰিচালনা আদিৰ দক্ষতাও প্ৰয়োজন।

কৃষিখণ্ডত সফল কেৰিয়াৰ গঢ়িবলৈ কেৱল একাডেমিক ডিগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰাটো প্ৰয়োজনীয় নহয়। বৰ্তমান সময়ত প্ৰশিক্ষণ, এপ্ৰেণ্টিছশ্বিপ, দক্ষতা বিকাশ কাৰ্যসূচী আৰু হাতে-কামে শিকাৰ সুযোগে কৃষিৰ সৈতে জড়িত বিভিন্ন ক্ষেত্ৰত দক্ষতা অৰ্জনৰ পথ মুকলি কৰিছে। এনে ব্যৱস্থাই যুৱক-যুৱতীসকলক বাস্তৱ কৰ্মক্ষেত্ৰৰ অভিজ্ঞতা লাভ কৰাৰ লগতে কৃষি আৰু সহযোগী খণ্ডৰ প্ৰয়োজনীয় ব্যৱহাৰিক জ্ঞান আহৰণত সহায় কৰে। ফলস্বৰূপে পৰম্পৰাগত চাকৰিৰ বাহিৰেও কৃষি-উদ্যোগ, কৃষিভিত্তিক ব্যৱসায়, সেৱা খণ্ড আৰু স্ব-নিয়োগৰ জৰিয়তে এক সফল আৰু সন্মানজনক কেৰিয়াৰ গঢ়ি তোলাৰ বহুতো নতুন সম্ভাৱনা সৃষ্টি হৈছে।

কেৰিয়াৰ নিৰ্বাচনৰ ক্ষেত্ৰত যুৱক-যুৱতীয়ে নিজৰ আগ্ৰহ, সামৰ্থ্য আৰু স্থানীয় সুযোগ বিবেচনা কৰা উচিত। কাৰোবাৰ বাবে কৃষি যন্ত্ৰপাতি আৰু মেৰামতিৰ ক্ষেত্ৰ উপযোগী হ'ব পাৰে, আন কাৰোবাৰ বাবে গ্ৰীণহাউচ, মীন পালন, খাদ্য প্ৰক্ৰিয়াকৰণ বা ডিজিটেল কৃষি অধিক আকৰ্ষণীয় হ'ব পাৰে। অভিজ্ঞতা আৰু উচ্চ শিক্ষাৰ জৰিয়তে পৰৱৰ্তী সময়ত প্ৰযুক্তিবিদ, পৰামৰ্শদাতা, গৱেষক, তত্ত্বাৱধায়ক বা পৰিচালক হিচাপেও কেৰিয়াৰ আগবঢ়াব পাৰি।

কৃষিৰ ভৱিষ্যৎ অধিক স্মাৰ্ট, তথ্য-চালিত আৰু বহনক্ষম হোৱাৰ দিশে আগবাঢ়িছে। কৃত্ৰিম বুদ্ধিমত্তা, ড্ৰ'ন, ৰিম'ট চেন্সিং, আইঅ'টি, ডিজিটেল কৃষি, জলবায়ু-স্থিতিস্থাপক কৃষি আৰু নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰে কৃষিৰ পৰম্পৰাগত পদ্ধতিত দ্ৰুত পৰিৱৰ্তন আনিছে। এই পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই নতুন প্ৰযুক্তি শিকিব পৰা দক্ষ কৰ্মী আৰু উদ্ভাৱনী চিন্তাধাৰাৰ উদ্যোগীৰ চাহিদা ভৱিষ্যতে আৰু বৃদ্ধি পাব।

সেয়েহে কৃষিক কেৱল পৰম্পৰাগত জীৱিকাৰ ক্ষেত্ৰ হিচাপে নেদেখি দক্ষতা, প্ৰযুক্তি, উদ্ভাৱন আৰু উদ্যোগীকৰণৰ এক বিস্তৃত কেৰিয়াৰ ক্ষেত্ৰ হিচাপে বিবেচনা কৰাৰ সময় আহি পৰিছে। বিশেষকৈ অসমৰ যুৱসমাজে স্থানীয় সম্পদ, পৰম্পৰাগত জ্ঞান আৰু আধুনিক প্ৰযুক্তিক একত্ৰিত কৰি কৃষি আৰু সহযোগী খণ্ডত নতুন কৰ্মসংস্থাপন আৰু উদ্যোগৰ সুযোগ সৃষ্টি কৰিব পাৰে। দক্ষতা অৰ্জন কৰি সঠিক দিশত আগবাঢ়িলে কৃষি কেৱল চাকৰিৰ পথ নহয়, বৰং আত্মনিয়োগ, উদ্যোগীকৰণ আৰু অৰ্থনৈতিক স্বাৱলম্বিতাৰ এক শক্তিশালী মাধ্যম হৈ উঠিব পাৰে। কেৰিয়াৰ বিষয়ৰ বিভিন্ন কথা কোনো আগ্ৰহী শিক্ষাৰ্থীয়ে জানিব বিচাৰে, তেন্তে প্ৰত্যেক শনিবাৰে বিয়লি ৬-৯ বজাৰ ভিতৰত ম'বাইল ৯৪৩৫১৮৮৩০ত যোগাযোগ কৰিব পাৰে।

# কানৈ মহাবিদ্যালয়ত স্বাধীনতা দিৱসত অধ্যাপক- অধ্যাপিকা, কৰ্মচাৰীৰ লগতে শিল্পী, সাহিত্যিক, সাংবাদিকৰ সম্বৰ্ধনা




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** 'সাহিত্যৰ পোহৰ নথকা সমাজ এখন অন্ধকাৰ গুহাৰ দৰে। কবি-সাহিত্যিকসকল হ'ল জাতিৰ বিবেক, সাংবাদিক হ'ল গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ আৰু নিৰ্ভীক চকু, যিয়ে সত্যক পোহৰলৈ আনি ৰাষ্ট্ৰৰ গতিপথ নিৰ্ধাৰণ কৰে'। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই মহাবিদ্যালয় প্ৰাংগণত ৮০ সংখ্যক স্বাধীনতা দিৱসৰ পতাকা উত্তোলণ কৰি মনোনীত অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, শিল্পী, সাংবাদিক, সাহিত্যিকক সম্বৰ্ধনা জ্ঞাপনেৰে ১৫ আগষ্টৰ পুৱা এইদৰে কয়। অধ্যক্ষ ড° শইকীয়াই কয়- কবি-সাহিত্যিক, সাংবাদিকসকলৰ সৃষ্টিশীলতা আৰু সাহসেই এখন ৰাষ্ট্ৰ, অসমৰ দৰে ৰাজ্যক জীৱন্ত আৰু সংবেদনশীল কৰি তুলিব পাৰে। অধ্যক্ষগৰাকীয়ে কয়- এখন উচ্চ শিক্ষানুষ্ঠান এজোপা প্ৰকাণ্ড বটবৃক্ষৰ দৰে। অধ্যক্ষ বা অধ্যাপক-অধ্যাপিকাসকলে তাত ক্ষন্তেকৰ বাবে ছাঁ লৈ, মূল শিপাত সাৰ-পানী যোগায়। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অধ্যক্ষগৰাকীয়ে কয়- বৰ্তমান নৱ প্ৰজন্মই আমাৰ দেশ ভাৰতবৰ্ষ আৰু অসমৰ ভৱিষ্যত। প্ৰত্যেকে দেশৰ কাৰণে, কাম কৰিব লাগিব, তেহে ভাৰতবৰ্ষই বিশ্বগুৰু হ'ব পাৰিব। দেশ সেৱাই মানৱ সেৱা বুলি উল্লেখ কৰি তেওঁ কয়- আগন্তুক দিনত নৱ প্ৰজন্মই আধুনিক প্ৰযুক্তি, এ আই আৰু বিজ্ঞানৰ জয়যাত্ৰাত অংশলৈ সমগ্ৰ বিশ্ব জয় কৰিব লাগিব, কিন্তু চাব লাগিব, প্ৰযুক্তিৰ ধামখুমীয়াত বিলীন হৈ নৱ প্ৰজন্মই যাতে কোনো কাৰণতে নিজৰ শিপাদালক, নিজৰ মাতৃভাষাক আৰু আই অসমীক পাহৰি নাযায়। উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীৰ হৈ তেওঁৰ সহধৰ্মীনি অধ্যাপিকা ড° মধুমিতা পুৰকায়স্থই সম্বৰ্ধনা গ্ৰহণ কৰে আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে মহাবিদ্যালয়ৰ এন চি চিৰ দলটিয়ে মহাবিদ্যালয়খনক জিলিকাবলৈ সক্ষম হোৱাৰ বাবে মহাবিদ্যালয়ৰ এন চি চি এ এন অ' অধ্যাপক ড° পৰাগজ্যোতি চুতীয়াক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে কৰ্মচাৰী ক্ৰমে ভূৱনজ্যোতি বৰুৱা, প্ৰতাপ সেনাপতি আৰু চতুৰ্থ বৰ্গ কৰ্মচাৰী জিস্তু গগৈকো অধ্যক্ষগৰাকীয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ অধ্যাপিকা ড° মৰমী তালুকদাৰে আঁত ধৰা স্বাধীনতা দিৱসৰ পৱিত্ৰ অনুষ্ঠানতে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ নিজৰ অৱদান আগবঢ়াই নিস্বাৰ্থভাৱে কাম কৰি যোৱাৰ বাবে কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা প্ৰতিনিদ টাইমৰ সাংবাদিক দেৱজিত চুতীয়া, আসাম লাইভ ২৪ৰ সাংবাদিক খগেন দত্ত, সাংবাদিক বিশাল পাণ্ডে, দৈনন্দিন বাৰ্তা কাকতৰ সংবাদদাতা আইনুল আহমেদ, নিকুমণি নাথ, শিল্পীশিখা দাস আৰু শিক্ষক মানসজ্যোতি হাজৰিকাক মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা অধ্যক্ষগৰাকীয়ে সম্বৰ্ধনা জ্ঞাপন কৰে।

# শুৱালকুছি জাৰ্ণেলিষ্ট এছ'চিয়েচনৰ উদ্যোগত অনুষ্ঠিত সম্বৰ্ধনা সভাত অসমৰ জনপ্ৰিয় অভিনেত্ৰী চেতনা দাস আৰু প্ৰকৃতিবিদ ড° পূৰ্ণিমা দেৱী বৰ্মনক ৰাজহুৱা সম্বৰ্ধনা




**ৰমেন ভৰালী, বংশৰ ঃ** বিশ্বৰ বুকুত ক্ৰমান্বয়ে বিলুপ্তিৰ গৰাহত পৰা হাড়গিলা পক্ষীৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে একাগ্ৰতা, নিষ্ঠা আৰু দায়বদ্ধতাৰে আত্মনিয়োগ কৰি অহা বিশিষ্ট প্ৰকৃতিবিদ ড° পূৰ্ণিমা দেৱী বৰ্মনক নেচনেল জিঅ'গ্ৰাফিক ছ'চাইটিয়ে ২০২৬ বৰ্ষৰ সন্মানীয় 'ৰে-ফাইণ্ডাৰ' বঁটাৰে সন্মানিত কৰাত আৰু হাড়গিলা সংৰক্ষণৰ জৰিয়তে ড° পূৰ্ণিমা দেৱী বৰ্মনে প্ৰকৃতি আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বৰ সন্মুখত অসমৰ দায়বদ্ধতাৰ নিদৰ্শনক প্ৰতিফলিত কৰিছে। গ্ৰীণ অস্কাৰপ্ৰাপ্ত হাজো-শুৱালকুছিৰ এইগৰাকী সুযোগ্য সন্তানে ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰা বিভিন্ন সন্মান আৰু স্বীকৃতিয়ে প্ৰতিগৰাকী অসমীয়াক গৌৰৱান্বিত কৰিছে। যোৱা ২৩ আগষ্টত শুৱালকুছি জাৰ্ণেলিষ্ট এছ'চিয়েচনৰ উদ্যোগত শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত প্ৰকৃতি সংৰক্ষণৰ এইগৰাকী অগ্ৰণী যোদ্ধাক ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। তেখেতৰ এই প্ৰয়াসে অনাগত দিনত নতুন প্ৰজন্মক প্ৰকৃতি আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰতি অধিক দায়বদ্ধ হ'বলৈ অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানত বিশ্ববিখ্যাত 'গ্ৰীণ অস্কাৰ' বঁটাৰে সন্মানিত বিশিষ্ট প্ৰকৃতিপ্ৰেমী ড° পূৰ্ণিমা দেৱী বৰ্মনক নিলোৎপল কুমাৰ বটাঁ প্ৰদান কৰা হয়। বটাঁ প্ৰদানত তেওঁলোকক পাটৰ গামোচা, মানপত্ৰ, শৰাই জাপি, স্মাৰক আদিৰে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। জীৱনজোৰা সাধনাৰে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক সমৃদ্ধ কৰি শেহতীয়াকৈ সন্মানীয় সংগীত নাটক অকাডেমী বঁটাৰে বিভূষিত হোৱা জনপ্ৰিয় অভিনেত্ৰী চেতনা দাসকো সম্বৰ্ধনা জনোৱা হয়। অসমীয়া চলচ্চিত্ৰ জগতৰ বিশিষ্ট অভিনেত্ৰী তথা সংগীত নাটক একাডেমী বঁটাপ্ৰাপক চেতনা দাসক ৰামচৰণ বৈশ্য সোৰৱণি বটাঁ প্ৰদান কৰাৰ উপৰি, ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত শুৱালকুছি, বামুন্দি আৰু বংশৰ পৰীক্ষা কেন্দ্ৰৰ পৰা সৰ্বোচ্চনম্বৰ লাভ কৰা তিনিগৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক ক্ৰমে শিক্ষাবিদ মধুৰাম কলিতা সোঁৱৰণি বটাঁ, ধীৰেন্দ্ৰ চন্দ্ৰ কলিতা বটাঁ আৰু উপেন্দ্ৰ নাথ কাকতি বটাঁ প্ৰদান কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক বঁটাৰ লগতে গামোচা, মানপত্ৰ, জাপি, বেগ আৰু নগদ ধনৰে সম্বৰ্ধনা জনোৱা হয়। আনহাতে, ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত শুৱালকুছি পৰীক্ষা কেন্দ্ৰৰ পৰা সৰ্বোচ্চ নম্বৰ লাভ কৰা তিনিগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰী শিক্ষাবিদ নিৰঞ্জন কলিতা সোঁৱৰণি বটাঁৰ লগতে গামোচা, জাপি, মানপত্ৰ, নগদ ধন আৰু এটাকে বেগ প্ৰদান কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে ছাত্ৰ-ছাত্ৰীসকলে নম্বৰ কেন্দ্ৰীক হ'ব নালাগে বুলি উল্লেখ কৰি প্ৰকৃত জ্ঞান অৰ্জনত সৰ্বাধিক গুৰুত্ব দিব লাগে বুলি দোহাৰে। তেওঁ বোলছবি অভিনেত্ৰী চেতনা দাস আৰু গ্ৰীণ অস্কাৰ বটাঁপ্ৰাপ্ত ড° পূৰ্ণিমা দেৱী বৰ্মনক শুৱালকুছিবাসীৰ হৈ বিশেষ সম্বৰ্ধনা জনোৱাত শুৱালকুছি জাৰ্ণেলিষ্ট এছ'চিয়েচনৰ সকলো কাৰ্যকৰ্তাক ভূয়সী প্ৰশংসা কৰে। বোলছবি অভিনেত্ৰী চেতনা দাসে তেওঁৰ ভাষণত তেওঁৰ জীৱনৰ কিছু বাস্তৱ অভিজ্ঞতা দাঙি ধৰি বিভিন্ন হাস্য ৰসৰ কথাৰে পৰিৱেশটো জীপাল কৰি তোলে। আনহাতে প্ৰকৃতিপ্ৰেমী ড° পূৰ্ণিমা দেৱী বৰ্মনে নিজৰ ভাষণত হাড়গিলা আৰ্মীৰ জৰিয়তে বিলুপ্ত প্ৰায় হাড়গিলাক কি দৰে সংৰক্ষণ কৰিছে তাক বৰ্ণনা কৰি আৱেগিক হৈ পৰে। তেওঁ নতুন প্ৰজন্মক এই ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সম্বৰ্ধনা অনুষ্ঠানটিত সভাপতিত্ব কৰে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতাই। সভাত শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ ভৰালীয়ে তেওঁৰ ভাষণত সাংবাদিকসকল সমাজৰ দিশ নিৰ্ণায়ক বুলি উল্লেখ কৰে। সভাত এস্ক ৰাই জেদ বোলছবিৰ প্ৰযোজক তথা বিশিষ্ট সমাজকৰ্মী হেমন্ত কলিতা উপস্থিত থাকে। বিশিষ্ট ব্যক্তি আৰু কৃতি শিক্ষাৰ্থীসকলক একেখন মঞ্চত সন্মান জনোৱাৰ এই বিশেষ অনুষ্ঠানটোৱে শুৱালকুছিৰ সামাজিক, সাংস্কৃতিক আৰু শিক্ষাক্ষেত্ৰলৈ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনাত বিশেষ অৰিহণা যোগাব বুলি বিভিন্নজনে মতামত ব্যক্ত কৰে। শুৱালকুছি অংকুৰ শিশু সদনৰ অধ্যক্ষ বিকাশ কলিতাই আঁতধৰা অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াই শুৱালকুছি জাৰ্ণেলিষ্ট এছ'চিয়েচনৰ সভাপতি দিলীপ মেধিয়ে। শিল্পী কস্তুৰী মেধিয়ে বৰগীত পৰিৱেশন কৰা উক্ত অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই সম্পাদক বিশ্বজিৎ দাসে। ইয়াৰ পূৰ্বে মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে অৱসৰী প্ৰধান শিক্ষক যোগেন্দ্ৰ ভৰালী আৰু সভাপতি দিলীপ মেধিয়ে। সভাৰ শেষত অসম সংগীত পৰিৱেশন কৰা হয়। সভাত শলাগ জ্ঞাপন কৰে বিশ্বজিৎ দাসে।

# 'বন্দে মাতৰম'ৰ ১৫০ বছৰ পূৰ্ণ উপলক্ষে বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ বিশেষ পোষ্টাৰ উন্মোচন



**পঙ্কজ নাথ, ষ্টাফ ৰিপৰ্টাৰ ঃ** ৰাষ্ট্ৰগীত 'বন্দে মাতৰম'ৰ ১৫০ বছৰ পূৰ্ণ হোৱাৰ গৌৰৱময় উপলক্ষে মঙ্গলবাৰে বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ উদ্যোগত বিশেষ পোষ্টাৰ উন্মোচন কৰা হয়। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে 'বন্দে মাতৰম'ৰ গৌৰৱোজ্বল যাত্ৰা, ৰাষ্ট্ৰীয় চেতনা আৰু দেশপ্ৰেমৰ ভাৱনা সমাজৰ প্ৰতিটো স্তৰলৈ লৈ যোৱা। এই উপলক্ষে বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰী, ক্ষেত্ৰীয় মন্ত্ৰী ড° জগদীন্দ্ৰ ৰায় চৌধুৰী, শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভগৱতী, সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশীসহ বিদ্যা ভাৰতীৰ অন্যান্য বিষয়ববীয়া, কাৰ্যকৰ্তা আৰু শুভাকাংক্ষীসকল উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত বিষয়ববীয়া সকলে কয় যে 'বন্দে মাতৰম' কেৱল এটি গীত নহয়, ভাৰতৰ ৰাষ্ট্ৰীয় চেতনা, মাতৃভূমিৰ প্ৰতি সমৰ্পণ আৰু স্বাধীনতা আন্দোলনৰ প্ৰেৰণাদায়ক স্মৃতিৰ এক শক্তিশালী প্ৰতীক। 'বন্দে মাতৰম'ৰ ১৫০ বছৰ পূৰ্ণ হোৱা দেশবাসীৰ বাবে এক গৌৰৱ আৰু আনন্দৰ বিষয়। এই ঐতিহাসিক উপলক্ষে বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰই বিভিন্ন কাৰ্যসূচী আৰু কাৰ্যকলাপৰ জৰিয়তে 'বন্দে মাতৰম'ৰ ঐতিহাসিক, সাংস্কৃতিক আৰু ৰাষ্ট্ৰীয় গুৰুত্ব সমাজৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস অব্যাহত ৰাখিছে। শিশু শিক্ষা সমিতি অসমৰ প্ৰচাৰ সংযোজক মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে এই উপলক্ষে পূৰ্বোত্তৰ ক্ষেত্ৰৰ সকলো নিকেতনতে বিদ্যা ভাৰতীৰ সৰ্বভাৰতীয় কাৰ্যক্ৰম অনুসৰি অহা ২৫ চেপ্তেম্বৰত দিনৰ ১১ বজাত সকলো ছাত্ৰ-ছাত্ৰী, আচাৰ্য-আচাৰ্যা তথা নিকেতনৰ সৈতে জড়িত সকলোৱে সমূহীয়াভাৱে 'বন্দে মাতৰম' ৰাষ্ট্ৰীয় গীত পৰিৱেশন কৰিব। পোষ্টাৰ উন্মোচন অনুষ্ঠানত উপস্থিত সকলো কাৰ্যকৰ্তাই ৰাষ্ট্ৰীয় চেতনাক অধিক সুদৃঢ় কৰা আৰু 'বন্দে মাতৰম'ৰ বাৰ্তা সমাজৰ বিস্তৃত পৰিসৰলৈ লৈ যোৱাৰ সংকল্প গ্ৰহণ কৰে।

# ৰাখী পূৰ্ণিমা হিন্দুসকলৰ পৱিত্ৰ অনুষ্ঠান ৰাখী বন্ধন বা ৰক্ষ

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

**ৰা**খী পূৰ্ণিমা হিন্দু ধৰ্মৰ এক পৱিত্ৰ ধাৰ্মিক অনুষ্ঠান। আমাৰ হিন্দু সকলৰ মাজত এডাল সাধাৰণ ৰঙীণ সূতাৰে হৃদয়ত আত্মীক সম্পৰ্ক স্থাপন কৰি আহিছে। এই ৰঙীণ সূতাডালত সম্বন্ধৰ বিশ্বাসৰ ভেটি দুজন ব্যক্তিৰ মাজত স্থাপন হয়। সেই ভাই-ভনীৰ সম্পৰ্ক তেজৰো হ'ব পাৰে বা হৃদয়ৰ পৰা কৰোবাৰ লগত স্থাপন কৰা পৱিত্ৰ সম্পৰ্ক হ'ব পাৰে।

এটা হৃদয়ৰ সম্পৰ্কৰ কাহিনী ক'বলৈ ওলাইছোঁ।

গীতা, ভাগৱত ধৰ্মীয় গ্ৰন্থত উল্লেখ আছে। দ্ৰৌপদী আৰু কৃষ্ণৰ ভাতৃ-ভগ্নীৰ সম্পৰ্ক আছিল। কিন্তু তেজৰ নহয় সেই সম্পৰ্ক আছিল হৃদয়ৰ। দ্ৰৌপদীৰ স্বামীসকল পঞ্চ পাণ্ডৱ কৌৰৱসকলৰ সকলৰ লগত খেলা পাশাখেলত পৰাজিত হয়, তেতিয়া কৌৰৱ বংশৰ দুশাসনে দ্ৰৌপদীক ৰাজ দৰবাৰলৈ চুলিত ধৰি চোঁচৰাই লৈ আহি বিৱস্ত্ৰ কৰিবলৈ চেষ্টা কৰিছিল। দ্ৰৌপদীৰ কাকুতি মিনতি কৰাৰ পিছতো কোনেও তেওঁক ৰক্ষা কৰিবলৈ আগবাঢ়ি অহা নাছিল, সকলো জ্ঞানী ব্যক্তিয়ে মৌন ব্ৰত ধাৰণ কৰিছিল। সেই সময়ত কৃষ্ণই ভগ্নী হিচাপে গ্ৰহণ কৰা দ্ৰৌপদীক ৰক্ষা কৰিছিল। উদাহৰণ হিচাপে প্ৰভূকৃষ্ণই জগতত অৱগত কৰিছিল যে এই ৰঙীণ সূতাডাল দেখাত সাধাৰণ হ'লেও তাত থাকে মৰমৰ এক এনাজৰী আৰু ভনীজনীৰ প্ৰতি থকা এক দায়িত্ব, বিপদত ৰক্ষা কৰাৰ এক সংকল্প।

বিশেষকৈ আজিৰ দৰে ব্যস্ত যান্ত্ৰিকতাৰ জীৱনত কোনো কাৰো খবৰ ল'বলৈ আহৰি নাই, তেনে সময়ত এই সৰু সৰু উৎসৱবোৰেই আমাক এজনে আনজনৰ প্ৰতি থকা দায়বদ্ধতা সোঁৱৰাই দিয়ে। গতিকে এই ৰাখীৰ জৰিয়তে এজনে আনজনৰ প্ৰতি থকা মৰমৰ অধিকাৰ আৰু বিশ্বাসৰ প্ৰকাশ কৰা সুন্দৰ মাধ্যম।

# গুৱাহাটীৰ হোমষ্টে'ত অষ্টম শ্ৰেণীৰ নাবালিকাক ধৰ্ষণৰ অভিযোগ

## মূল অভিযুক্তসহ ৫ পাষণ্ডক আটক



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** মহানগৰীত সংঘটিত হৈছে এক জঘন্য আৰু স্পৰ্শকাতৰ কিশোৰীক যৌন নিৰ্যাতন ঘটনা। কামৰূপ জিলাৰ পছৰীয়াৰ পৰা সন্ধানহীন হোৱা অষ্টম শ্ৰেণীৰ এগৰাকী নাবালিকা ছাত্ৰী মহানগৰীৰ এটা হোমষ্টে'ত দলবদ্ধ ধৰ্ষণৰ বলি হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই অমানুষিক কাণ্ডৰ সৈতে জড়িত থকাৰ অভিযোগত দদৰা আৰক্ষীয়ে ইতিধেমধ্যে মূল অভিযুক্তকে ধৰি মুঠ পাঁচজন লোকক আটক কৰিবলৈ সক্ষম হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, দেওবাৰৰ দুপৰীয়াৰ পৰাই পছৰীয়াৰ এগৰাকী নাবালিকা ছাত্ৰী নিৰুদ্দেশ হৈ আছিল। পৰিয়ালৰ লোকে সকলোতে বিচাৰ-খোচাৰ কৰিও ছাত্ৰীগৰাকীৰ কোনো সন্ধান লাভ কৰা নাছিল। অভিযোগ অনুসৰি, গোৱালপাৰাৰ পৰমেশ্বৰ নাথ নামৰ এজন যুৱকে নাবালিকা ছাত্ৰীগৰাকীক শিঙিমাৰীৰ পৰা ফুচুলাই গুৱাহাটীৰ সাউকুছিস্থিত 'ৰংমন গ্ৰেণ্ড' নামৰ এটা হোমষ্টেলৈ লৈ আহে। অভিযোগ উঠিছে হোমষ্টেটোত নিশা নাবালিকা ছাত্ৰী গৰাকীৰ ওপৰত শাৰীৰিক নিৰ্যাতন তথা কু-কৰ্ম চলোৱা হয়। এই জঘন্য কাণ্ডত মূল অভিযুক্ত পৰমেশ্বৰ নাথক সংগ দিছিল হিৰকজ্যোতি দাস, বিশাল বৰুৱা আৰু লক্ষ্যধৰ নাথ নামৰ আন তিনিজন যুৱকে। ইয়াৰে বিশাল বৰুৱা আৰু লক্ষ্যধৰ নাথ 'ৰংমন গ্ৰেণ্ড' হোমষ্টেটোৰ কৰ্মচাৰী বুলি চিনাক্ত কৰা হৈছে। আনহাতে, সমগ্ৰ ঘটনাৰ অন্তত ৰেকিব আলী নামৰ আন এজন যুৱকে কিশোৰীগৰাকীক পাণবজাৰত থৈ অহাৰ কথা পোহৰলৈ আহিছে। সমগ্ৰ নিশা পাশৱিক অত্যাচাৰ চলোৱাৰ পিছত সোমবাৰে পুৱতি নিশা পৰমেশ্বৰ নাথে নাবালিকা ছাত্ৰী গৰাকীক মহানগৰীৰ পাণবজাৰস্থিত শুক্লেশ্বৰ ঘাটৰ ৰাজপথত পেলাই থৈ পলায়ন কৰে। পিছত শুক্লেশ্বৰ ঘাটৰ পৰাই আৰক্ষীয়ে সংকটজনক অৱস্থাত নাবালিকা ছাত্ৰীগৰাকীক উদ্ধাৰ কৰে। ইফালে ঘটনাৰ সন্দৰ্ভত দদৰা আৰক্ষী চকীত গোচৰ ৰুজু হোৱাৰ পিছতেই আৰক্ষী সক্ৰিয় হৈ পৰে। দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যীশু জানক্য গগৈৰ নেতৃত্বত বিশেষ অভিযানৰ অন্তত দদৰা আৰক্ষীয়ে গুৱাহাটীৰ পৰা মূল অভিযুক্ত পৰমেশ্বৰ নাথসহ পাঁচোটা পাষণ্ডক আটক কৰিবলৈ সক্ষম হয়।

# আধ্যাত্মিক মহত্বৰে অসমীয়াৰ ভাদ মাহ

■ **যমুনা দুলু বৈশ্য,** শুৱালকুছি

**অ**সমীয়া জাতিৰ পৰম্পৰাগত ধাৰ্মিক বিশ্বাসৰ লগত জড়িত মাহ হৈছে, ভাদ মাহটো বিশেষভাৱে গুৰুত্বপূৰ্ণ। ভাদ মাহ অসমৰ পৰম্পৰাগত জাতীয় কেলেণ্ডাৰৰ পঞ্চম মাহ। এই মাহটো সাধাৰণতে ইংৰাজী আগষ্ট-ছেপ্টেম্বৰ মাহত পৰে। ভাদ মাহৰ আগমণে অসমৰ সমাজ-জীৱনত এক আধ্যাত্মিক, সাংস্কৃতিক ৰূপে পালন কৰা হয় ।এই মাহৰ বৈশিষ্ট্য আৰু পৰম্পৰাৰে অসমীয়া চিন্তাধাৰাৰ এটি মৌলিক অংশৰূপে গঢ়ি তোলে। যুগ যুগ ধৰি এই মাহটো অসমীয়া জাতিৰ ইতিহাসৰ লোকজীৱনৰ সৈতে অটুটভাৱে জড়িত হৈ আছে। ভাদ মাহত হোৱা বহু ধৰ্মীয় উৎসৱ, সামাজিক অনুষ্ঠান, কাৰ্যকলাপ আৰু আধ্যাত্মিক সাধনাই অসমীয়া সমাজত এক বিশেষ জাগৰণ অনা দেখা যায় ।

ভাদ মাহত বিভিন্ন ধৰ্মীয় উৎসৱ আৰু আচাৰ-অনুষ্ঠান উদ্‌যাপন কৰা হয়। ভাদ মাহটো পূজাৰ মাহ হিচাপে পৰিগণিত। এই মাহতে জন্মাষ্টমী, লক্ষ্মী পূজা, গণেশ চতুৰ্থী আৰু তিথি যেনে গুৰুদুজনাৰ স্মৃতি তিথি পালন কৰা হয়।

শ্ৰীকৃষ্ণৰ জন্মতিথি ৰূপে পালন কৰা জন্মাষ্টমী তিথিত নাম-ঘোষা, কীৰ্তন, ভজন আদি অনুষ্ঠিত হয়। শিশু-কিশোৰে কৃষ্ণৰ ৰূপত সাজ-পোছাক পিন্ধি নানা নাট-নৃত্যত অংশ লয়, যি এই উৎসৱটোক আৰু অধিক আনন্দদায়ক আৰু সাংস্কৃতিকভাৱে সমৃদ্ধ কৰি তোলে।

সত্ৰ আৰু নামঘৰসমূহত এই মাহটো এক বৈষ্ণৱ আধ্যাত্মিকতাৰে দুয়োজনা গুৰুৰ ভক্তিত নামঘৰত নামৰধ্বনিৰে মূখৰিত হয়। গণেশ চতুৰ্থীও কিছু অঞ্চলত ধুমধামৰে পালন কৰা হয়। শংকৰদেৱ আৰু মাধৱদেৱৰ তিথিত নাম-কীৰ্তনৰ জৰিয়তে ঈশ্বৰৰ গুণানুকীৰ্তন কৰা হয়। পিতৃ-পুৰুষৰ স্মৃতিত পালন কৰা এই তিথি হৈছে সমাজত এক গম্ভীৰ আৰু শ্ৰদ্ধাৰে পালন কৰা অনুষ্ঠান। এইবোৰ অনুষ্ঠানৰ জৰিয়তে ভাদ মাহত ধৰ্মীয় অনুভৱৰ এক বেছি গভীৰতা দেখা যায়।

ভাদ মাহ অসমৰ কৃষিজীৱনত এক গুৰুত্বপূৰ্ণ পৰ্যায়। এই সময়খিনিত ধানৰ গছ ডাঠ হয়, লাহে লাহে ধান শিপা ধৰিবলৈ আৰম্ভ কৰে। বানৰ সম্ভাৱনা থাকে। এই পৰিস্থিতিয়ে কৃষকৰ চিন্তা আৰু সজাগতা দুয়োকে বঢ়াই তোলে। এই পৰিৱেশক মনত ৰাখি বহু ঠাইত বানৰ পৰা ৰক্ষা পাবলৈ দেৱ-দেৱতাক প্ৰাৰ্থনা কৰা হয়। ফলস্বৰূপে অসমীয়া কৃষকসকলে প্ৰকৃতিৰ লগত নিবিড়ভাৱে সংযুক্ত হৈ পৰে ভাদ মাহৰ এই প্ৰাকৃতিক পৰিৱেশ আৰু কৃষিভিত্তিক সাধনাই অসমীয়া সমাজৰ আত্মনিৰ্ভৰশীলতাৰ এক দৃষ্টান্ত প্ৰদৰ্শন কৰে।

ভাদ মাহ কেৱল ধৰ্মীয় বা কৃষিভিত্তিক সময় নহয়; ই সামাজিক আৰু সাংস্কৃতিকভাৱে এক গম্ভীৰ সম্প্ৰেষণৰ সময়। ভাদ মাহ অসমীয়া সমাজত এক সামাজিক একতাৰ উৎস হিচাপে পৰিগণিত। গাঁৱে গাঁৱে সত্ৰ-নামঘৰবোৰত নাম-কীৰ্তনৰ চৰ্চা, ভজন, ভাগৱত পাঠ আদি অনুষ্ঠিত হয়। পৰম্পৰাগত খোল-তাল গান-বাজনা, নৃত্য ইত্যাদিৰ জৰিয়তে লোকসংস্কৃতিৰ পুনৰুজ্জীৱন ঘটে।

ভাদ মাহৰ ধৰ্মীয় অনুষ্ঠান আৰু সামাজিক সংযোগৰ মাজেৰে অসমীয়া মানুহৰ মাজত নৈতিক মূল্যবোধ, শ্ৰদ্ধা আৰু ভক্তি, সামাজিক দায়িত্ববোধ আৰু ঐক্যবদ্ধতাৰ বোধ বৃদ্ধি পায়। যুগে যুগে এই মাহটোৱে অসমীয়া জাতিৰ ঐতিহ্য, চিন্তাধাৰা আৰু জীৱনদৰ্শনৰ আদৰ্শ বহন কৰিছে। সেয়ে ভাদ মাহক 'আধ্যাত্মিকতাৰ সমাজ পুৰণি পৰম্পৰা, ধৰ্মীয় আৰু সামাজিক সংগঠনৰ মাজেৰে এই মাহটোতে অসমীয়া ঐতিহ্যৰে ঈশ্বৰক ভক্তি ভাৱনাৰে আত্মা আৰু পৰত্মাৰ মিলন ঘটে।'

# বহুমুখী স্বাস্থ্যকৰ্মী সন্থাৰ কামৰূপ জিলা সমিতি গঠন



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী সন্থাৰ কামৰূপ জিলা সমিতিখন ২২ আগষ্টত গঠন কৰা হয়। এই উদ্দেশ্য আমিনগাঁৱস্থিত লোক নিৰ্মাণ বিভাগৰ সভাকক্ষত আয়োজিত সভাত পৌৰাহিত্য কৰে গীতুমণি দাসে আৰু উদ্দেশ্য বাখ্যা কৰে নৃপেন ডেকাই। সভাত বহুমুখী স্বাস্থ্যকৰ্মীসকলে কৰ্মক্ষেত্ৰত ভোগ কৰি অহা বিভিন্ন সমস্যাৰ বিষয়ে বিশদ আলোচনা কৰা হয়। সভাত হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে অংশগ্ৰহণ কৰি ভাষণ আগবঢ়ায়। ইতিমধ্যে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা তিনি গৰাকী বহুমুখী স্বাস্থ্যকৰ্মী ক্ৰমে চামছুদ্দিন আহমেদ, কিছেন ৰাজবংশী আৰু বাপধন আহমেদক সন্থাৰ তৰফৰ পৰা উষ্ণ সম্বৰ্ধনা জনোৱা হয়। সভাত সৰ্বসন্মতিক্ৰমে প্ৰবীণ কুমাৰ দাস, সূৰজ দাস, মিলন পাঠক আৰু হৰেশ্বৰ দাসক উপদেষ্টা, গীতুমণি দাসক সভাপতি, কুশল গোস্বামীক উপ-সভাপতি, মনোজ কাকতিক সাধাৰণ সম্পাদক, অপূৰ্ব বেজবৰুৱা আৰু চিণ্টু বৰুৱাক সহকাৰী সম্পাদক, নৱজ্যোতি বৈশ্যক কোষাধ্যক্ষ, শ্যামন্ত মণি দাস আৰু গণেশ কলিতাক হিচাপ পৰীক্ষক আৰু অমল কলিতাক তথ্য আৰু জনসংযোগ বিভাগৰ দায়িত্ব অৰ্পণ কৰি বহুমুখী স্বাস্থ্যকৰ্মী সন্থাৰ কামৰূপ জিলাৰ নতুন সমিতিখন গঠন কৰা হয়।

# বানত ক্ষতিগ্ৰস্ত উজনি অসমৰ মহাবিদ্যালয়সমূহ পৰিদৰ্শন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ পৰিষদৰ প্ৰতিনিধি দলে



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম মহাবিদ্যালয় অধ্যক্ষ পৰিষদৰ সভাপতি ড° ধৰ্মেন্দ্ৰ নাথৰ নেতৃত্বত এটি প্ৰতিনিধি দল ২৪ আগষ্ট, সোমবাৰে বানাক্ৰান্ত জিলাকেইখনৰ ক্ষতিগ্ৰস্ত মহাবিদ্যালয় যেনে-শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, বীৰ লাচিত বৰফুকন মহাবিদ্যালয়, শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়, নাজিৰা মহাবিদ্যালয় আৰু টীয়ক চন্দ্ৰ কমল বেজবৰুৱা মহাবিদ্যালয়ত পদাৰ্পণ কৰি পৰিস্থিতিৰ বুজ লৈ সমমৰ্মিতা প্ৰকাশ কৰে। উল্লেখ্য যে, ইয়াৰ উপৰিও তেখেতসকলে এক বুজন পৰিমাণৰ আৰ্থিক সাহায্যৰে মহাবিদ্যালয়সমূহৰ পুনঃ উত্থানত প্ৰেৰণা যোগায়। উক্ত অভিযানত সদৌ অসম কলেজ অধ্যক্ষ পৰিষদ (ACPC)ৰ সভাপতি তথা এছ বি দেউৰা কলেজৰ অধ্যক্ষ ড° ধৰ্মেন্দ্ৰ নাথসহ ACPCৰ সম্পাদক তথা ৰঙাপাৰা কলেজৰ অধ্যক্ষ ড° ৰণজিৎ কলিতা, সহ-সম্পাদক তথা গোৱালপাৰা কলেজৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, ACPC বিত্তীয় সম্পাদক তথা হাৱৰাঘাট কলেজৰ অধ্যক্ষ ড° মিন্টু দাস, মৰিধল কলেজৰ অধ্যক্ষ তথা ACPCৰ সদস্য ড° দ্বীপেন শইকীয়া, ACPCৰ সদস্য তথা কে আৰ বি কলেজৰ অধ্যক্ষা ড° চন্দ্ৰমা গোস্বামী, ACPCৰ সদস্য তথা এল টি কে কলেজৰ অধ্যক্ষ ড° বাবুল শইকীয়া, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্ত, ঘনকান্ত বৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰণজিৎ গাম, যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দুলেন শইকীয়া, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰতিম শৰ্মা, বীৰ লাচিত বৰফুকনৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পঙ্কজ হাজৰিকা, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনজিৎ গগৈ, টীয়ক চন্দ্ৰ কমল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিজয়কৃষ্ণ পাচনি আৰু শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিদ্যানন্দ বৰকাকতী উপস্থিত থাকে।

# বাক্সাৰ গোৱৰ্দ্ধনাত ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন বিধায়ক থানেশ্বৰ বসুমতাৰীৰ



**জাহিদুল ইছলাম, খাৰিজা বিজনী ঃ** কৃষকসকলৰ উৎপাদিত ধানৰ ন্যায্য মূল্য নিশ্চিত কৰাৰ লগতে ধান বিক্ৰীৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ সমাধানৰ লক্ষ্যৰে বাক্সা জিলাৰ গোৱৰ্দ্ধনাত আনুষ্ঠানিকভাৱে এটি ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন কৰা হয়। এই ধান ক্ৰয় কেন্দ্ৰটোৰ শুভ উদ্বোধন কৰে ৪১ নং মানাহ বিধান সভাৰ বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে। বিধায়ক থানেশ্বৰ বসুমতাৰীৰ সভাপতিত্বত আয়োজিত অনুষ্ঠানত কৃষকসকল, স্থানীয় কৃষক ৰাইজ, কৃষি বিভাগৰ বিষয়া আৰু বিভিন্ন বিভাগৰ প্ৰতিনিধিসকলৰ উপস্থিতি পৰিলক্ষিত হয়। অনুষ্ঠানত বক্তব্য ৰাখি বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে কয় যে, কৃষক হৈছে দেশৰ অৰ্থনীতিৰ মূল ভেটি আৰু কৃষকৰ উৎপাদিত ধানৰ উচিত মূল্য নিশ্চিত কৰাটো চৰকাৰৰ অন্যতম প্ৰধান দায়িত্ব। তেওঁ উল্লেখ কৰে যে চৰকাৰী ধান ক্ৰয় ব্যৱস্থা অধিক শক্তিশালী হ'লে কৃষকসকলে মধ্যভোগীৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া নহয় আৰু উৎপাদিত ধানৰ ন্যায্য মূল্য লাভ কৰিবলৈ সক্ষম হ'ব। বিধায়কে লগতে কয় যে ধান ক্ৰয় কেন্দ্ৰ স্থাপনৰ ফলত অঞ্চলটোৰ কৃষকসকলে সহজে আৰু স্বচ্ছ পদ্ধতিত নিজৰ ধান বিক্ৰী কৰিব পাৰিব। ইয়াৰ জৰিয়তে কৃষকৰ আৰ্থ-সামাজিক উন্নয়ন ঘটাৰ লগতে কৃষিখণ্ড অধিক শক্তিশালী হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত বক্তব্য ৰাখি বাক্সা জিলা কৃষি বিষয়া কৈলাশ তালুকদাৰে কৃষকসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে কৃষকসকলৰ অভিযোগ আৰু সমস্যাসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰি বিভাগে স্থায়ী সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। বিশেষকৈ সাৰ আৰু উন্নত মানৰ বীজ সময়মতে যোগান, কৃষক আইডি প্ৰস্তুত কৰাত হোৱা বিসংগতি আৰু অন্যান্য প্ৰশাসনিক সমস্যাসমূহ অতি সোনকালে সমাধান কৰা হ'ব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে, বাক্সাৰ জালাহ ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ কৃষকসকলে দীৰ্ঘদিন ধৰি সাৰ-বীজৰ সময়মতে যোগান নোপোৱা, কৃষক আইডি প্ৰস্তুত কৰাত জটিলতা আৰু কৃষি আঁচনিৰ সুবিধা লাভ কৰাত সমস্যাৰ সন্মুখীন হৈ আহিছিল। এই সমস্যাসমূহ অনুষ্ঠানত উপস্থিত কৃষক আৰু ৰাইজৰ ফালৰ পৰা উত্থাপন কৰা হয়। জিলা কৃষি বিষয়া কৈলাশ তালুকদাৰে এই বিসংগতিসমূহ দূৰ কৰাৰ বাবে বিভাগীয়ভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। উক্ত অনুষ্ঠানত অতিৰিক্ত আয়ুক্ত ৰিতুপৰ্ণা দাস, শালবাৰী মহকুমাৰ মহকুমাধিপতি মানস জ্যোতি মালাকাৰ, এডিঅ' ধীৰেন দাস, বৰপেটাৰোড বিদ্যুৎ সংমণ্ডলৰ চক্ৰ বিষয়া আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকে। গোৱৰ্দ্ধনাত ধান ক্ৰয় কেন্দ্ৰ স্থাপনৰ এই পদক্ষেপে অঞ্চলটোৰ কৃষকসকলৰ মাজত আশাৰ সঞ্চাৰ কৰিছে। কৃষকসকলে আশা প্ৰকাশ কৰিছে যে চৰকাৰী এই ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ উৎপাদিত ধানৰ ন্যায্য মূল্য নিশ্চিত হোৱাৰ লগতে কৃষি ক্ষেত্ৰত নতুন সম্ভাৱনাৰ দ্বাৰ মুকলি হ'ব।

# ভৈৰবী হেল্‌থ ফাউণ্ডেশ্যনৰ উদ্যোগত আৰু কামৰূপ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ সহযোগত বিনামূলীয়া স্বাস্থ্য শিবিৰ

**ৰমেন ভৰালী, বংশৰ ঃ** ভৈৰবী হেল্‌থ ফাউণ্ডেশ্যনৰ উদ্যোগত আৰু কামৰূপ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ সহযোগত এটি বিনামূলীয়া স্বাস্থ্য শিবিৰ যোৱা ২৩ আগষ্টত হাজো চৰাবৰীৰ কালি মন্দিৰত অনুষ্ঠিত হয়। দাক্ষিণাত্যৰ জনপ্ৰিয় অভিনেত্ৰী তথা অসমৰ কামৰূপ জিলাৰ শিঙিমাৰীৰ পাকোৰকোনাৰ জীয়ৰী ভৈৰবী আৰাধ্যাৰ একক প্ৰচেষ্টাত অনুষ্ঠিত স্বাস্থ্য শিবিৰত প্ৰায় ৩০০ ৰোগীক চিকিৎসা প্ৰদান কৰি বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰে। স্বাস্থ্য শিবিৰত কামৰূপ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ সহযোগত কেইবাজনো চিকিৎসকে চিকিৎসা প্ৰদান কৰে। চিকিৎসা প্ৰদান কৰে ডাঃ ইকবাল হুছেইন, ডাঃ ডেভিদ মালি, ডাঃ বিজিত



ডেকা, ডাঃ শ্বাহিল আহমেদ, ইন্দ্ৰজিৎ বৈশ্য, ফাৰ্মাচিষ্ট, প্ৰতাপ পল ৰয়, ফাৰ্মাচিষ্ট, নিৰেশ শৰ্মা, ফাৰ্মাচিষ্ট, ববিতা কলিতা, ছালমা চুলতানা পাৰবিন, দিবাকৰ দাস, দিগন্ত কলিতা, পাৰ্থজিৎ ঠাকুৰীয়া আদিয়ে।

## জীৱন জিন্দাবাদ

**কিৰণ বৰা**, গহপুৰ

ফাগুন অহাৰ বাটেৰে
এছাটি মলয়াই জিৰণি লৈছিল।
সময়টো ঠিক মনত নাই।
কোনোবা ক্লান্ত আবেলি।
সময়ৰ আগে বা পিছে কি
গল্প নে কবিতা?
এয়া সন্ধ্যা নামিছে।
হেঙুলী বেলিটিক
ভৰ দি জোনটি
ফুটি উঠিছে।
মাজতে ক'লা ক'লা দাগ।
ক'লাখিনিক আওকাণ কৰি
প্ৰতিবাৰে জোনটি প্ৰেমত পৰোঁ।
যিদৰে প্ৰেমীক পক্ষীৰ জীৱনত
ফাগুনে শিপায়।
বিতচকু যুৰি আঁৰত জীৱনৰ
ক'লা ক'লা দুখ।
বাহিৰত আকৌ আকাশ চুমাৰ হাবিয়াস।
(দুখ আৰু হাবিয়াস যোগ কৰি চালো)
এমুঠি আশাৰ ৰেঙণি দেখা পালো।
দুটা বগা শিল
হাতত তুলি ল'লো
জীৱন সজোৱাৰ অকন
সুৰুঙা বিচাৰি পালো।
শূন্যলৈ চকু ফুৰাই
অবাক হৈ ৰ'লো।
প্ৰাণ পোৱা ৰামধেনুখন
তোমাতেই দেখা পালো।
জীৱন আৰু যৌৱনৰ
সংমিশ্ৰিত অংকটো কৰি চালো।
(হাবিয়াস, হুমুনিয়াহ...?)
লাহেকৈ কলমটি থৈ
মিছিকৈ হাঁহিটি মাৰি ক'লো
জীৱন জিন্দাবাদ।।

**ম'বাইল ঃ ৬০০০২-৫০৪৪০**

## শৰবিদ্ধ বাস্তৱিকতা

**শচীন্দ্ৰ কুমাৰ দাস**
পলাশবাৰী

মোৰ মৃত্যু হৈছিল সিদিনা,
যিদিনা সমস্ত মই হেৰুৱাইছিলোঁ।
এক গভীৰ অন্ধকাৰৰ বুকুত,
স্তব্ধ হৈছিল জীৱনৰ কোলাহল আৰু ভালপোৱাবোৰ।
সেমেকি উঠিছিল জীৱনৰ সেই আদিম,
স্নেহ-সিক্ত সপোনবোৰ।
ৰৈ আছিলোঁ সিদিনা অহা বাটলৈ ঘূৰি চাই,
বুকুৰ নিবিড় বেদনা লৈ মাথোঁ কান্দিছিলোঁ।
সেই নোপোৱাৰ মৰ্মান্তিক অনুভূতিয়ে,
জাগ্ৰত প্ৰাণত শৰে বিন্ধাৰ দৰে বিন্ধিছিল।
মনৰ পদুলিত তোমাৰ অপেক্ষাৰ বাট চাই,
হতাশাত জৰ্জৰিত প্ৰাণে নীৰৱে আবেগবোৰ হেঁচি ধৰিছিল।
উশাহ ল'বলৈও যেন পাহৰি পেলাইছিলোঁ সিদিনা।
কিন্তু তোমাৰ সেই উষ্ণ কৰুণ অনুভূতি,
মোৰ শাশ্বত প্ৰেমৰ মৰুভূমিত এটুপি নিয়ৰ হৈ,
আকৌ সেমেকাই তুলিলে মোৰ উকা বাস্তৱিকতাক।

**ম'বাইল ঃ ৮৪০৩৮-৩৫০৪৮**

## বলিয়া বান

**জিতেন কাকতি**
শিৱসাগৰ

ঢৌ খেলুৱা ৰঙীন চুলিৰে শান্ত ডাৱৰ
তুমি ৰাণী আকাশৰ।
কাৰ ভুলৰ বাবে বলিয়া পানীৰ ঢল
বোৱাইছা যেন সাগৰ।
মাজনিশা অসহায় কৰুণ আৰ্তনাদে
কৰে ভেঙুচালি
অত্যাধুনিক আজিৰ প্ৰযুক্তি বিদ্যাৰ।
নহ'লেতো এয়া হ'ব স্বাৰ্থৰ বাবে হত্যা
অগণন নিৰীহ লোকৰ।

## নেদেখা প্ৰতিশ্ৰুতি

**বনজিত দাস**
ৰিহাবাৰী, বজালী

বিষাদে মুচুৰি ভঙা
দেওলগা ঘাটত উচুপি উঠে
বুকুৰ গভীৰতাত
সময়ে নীৰৱে লিখি যায়
এটি অপঠিত কবিতা।
নিশাৰ আচলত
অচিন নদী
গোপনে সৰি পৰে
হেৰোৱা দিনৰ অনুচ্চাৰিত নদী।
নেদেখা পাপৰিবোৰ
শব্দত সাৰ পায় যায় উটি
বুকুৰ হাড় চিঙি
উৰে অনুভৱৰ পখী হৈ
তাতেই গজিব ৰাতি ফুলা ফুল
ৰজনীগন্ধা।
অন্তৰ্লীন পোহৰৰ প্ৰতিশ্ৰুতি
প্ৰতিটো গভীৰ অন্ধকাৰৰ বুকুত
লুকাই থাকে কবিৰ
নতুন প্ৰভাতৰ অংকুৰিত বীজ।

## এক অদৃশ্য বিৰহ

**নাচিমা য়াচমিন**
বিশ্বনাথ চাৰিআলি

জীৱনত কিছু মানুহ আহে
থকাৰ প্ৰতিশ্ৰুতি নিদিয়াকৈয়ে
হৃদয়ৰ কোনো এক গভীৰ কোণত
স্থায়ী আসন দখল কৰে।
সময় বাগৰে, দূৰত্ব বাঢ়ে,
কথাবিলাক লাহে-লাহে নীৰৱ হৈ পৰে;
তথাপিও তেওঁলোকৰ স্মৃতি
মনৰ পৰা মচ খাই নাযায়।
কেতিয়াবা ৰাতিৰ নিস্তব্ধতাত
অজানিতে মনটোৱে সেইজনাক বিচাৰে।

ক'বলৈ অসংখ্য কথা জমা হৈ থাকে,
কিন্তু শুনিবলৈ মানুহজন নাথাকে।
অভিমান থাকে, অপেক্ষা থাকে,
তথাপিও কোনো অভিযোগ নাথাকে।
কাৰণ কিছুমান ভালপোৱা
অধিকাৰ বিচৰাৰ বাবে নহয়,
মাথোঁ নীৰৱে মংগল কামনা কৰি
নিজৰ মাজতে জীয়াই ৰখাৰ বাবে।
কিছুমান মানুহ আহে
আমাক ভালপোৱাৰ অৰ্থ বুজাবলৈ,
আৰু আঁতৰি যায়
এক অপূৰ্ণ অনুভৱ হৃদয়ত লুকাই থৈ।
য'ত কোনো মিলনৰ আশা নাই,
তথাপিও ভালপোৱাখিনিৰ অন্ত নাই।
কাৰণ কিছুমান সম্পৰ্কৰ শেষ
বিদায়ত নহয়;
ই হৃদয় জুৰি বিয়পি থাকে
অনুপস্থিতিৰ মাজতো
স্মৃতি হৈ, অনুভৱ হৈ, নীৰৱ প্ৰাৰ্থনা হৈ।

## বান আহিল অ বান

**ড° বনিমা তালুকদাৰ**
উত্তৰ গুৱাহাটী মহাবিদ্যালয়

বান আহিল অ বান
উটুৱাই নিলে ভঁৰালৰ ধান
উটুৱাই নিলে মাটি-ভেটি
উটুৱাই নিলে সকলো....
সপোনবোৰৰ মৃত্যু ঘটিল
আশাবোৰৰ আশা হৈ ৰ'ল।
বোৱতী পানীত ওপঙি উঠিল কেৱল মৃতদেহ,
জীৱ জন্তু আৰু, গছ গছনি....
সকলো যেন একাকাৰ হ'ল
অতি হেঁপাহেৰে বন্ধা ঘৰখন ভাঙি থানবান হ'ল....
চকুৰ আগত ওলমি থাকিল
কেতিয়াও শেষ নোহোৱা এবোজা দুখৰ স্মৃতি....
থাউকতে এখন পৃথিৱী অন্ধকাৰ হ'ল।

## নীলা চিয়াঁহীৰ পৃথিৱী

**ৰমেন ভৰালী**, বংশৰ

এই পৃথিৱীত ৰঙা তেজৰ বজাৰ,
ক'লা ধোঁৱাৰ সাম্ৰাজ্য,
মই কিন্তু সদায়
নীলা চিয়াঁহীৰ পৃথিৱী এখন বিচাৰি ফুৰোঁ।
য'ত শব্দবোৰ মৰি নাযায়,
বাক্যবোৰে আত্মহত্যা নকৰে,
কলম এটা তুলি ল'লেই
মানুহবোৰ মানুহ হৈ থাকে।
এই নীলা পৃথিৱীত
কোনো সীমান্ত নাই,
আছে মাথোঁ এটা ডায়েৰীৰ পাত,
আৰু তাৰ বুকুত বৈ থকা
এটা অবিৰত নদী।
মই লিখোঁ -
ভোকৰ কথা,
প্ৰেমৰ কথা,
যুদ্ধৰ মাজতো জীয়াই থকা
এটি শিশুৰ হাঁহিৰ কথা।
নীলা চিয়াঁহীয়ে নুসুধে,
তুমি কোন জাতি?
কোন ধৰ্ম?
কোন দল?
ই মাথোঁ কয় -
'লিখা, মানুহৰ কথা লিখা।'
এদিন মোৰ হাতৰ আঙুলি ক্ষয় যাব,
চকুৰ পোহৰ কমি আহিব,
কলমটোও শুকাই যাব,
কিন্তু এই নীলা পৃথিৱীখন থাকি যাব।
কাৰণ চিয়াঁহী শুকালেও,
শব্দবোৰ জীয়াই থাকে,
কবিতা হৈ,
গান হৈ,
মানুহৰ বুকুৰ ভিতৰত।
তোমালোক আঁহা,
এবাৰ এই নীলা পৃথিৱীত ভৰি থোৱা,
ইয়াত কোনো ৰজা নাই,
কোনো প্ৰজা নাই,
ইয়াত সকলোৱে কবি,
সকলোৱে পাঠক।

**ম'বাইল ঃ ৯৭০৬০-৬৪৪৪৫**



## লাজৰ প্ৰাচীৰ ভেদি

**হেৰম্ব নাথ**

লাজৰ প্ৰাচীৰ ভেদি চাওঁ
তোমাৰ ওঁঠৰ চন্দ্ৰমাক
তুমি জানা চাগে
দুচকুৰ আকুলতা ক'ত
তোমাৰ বৰ্ণিল হাঁহি
নিয়ৰে ধুউৱা গোৰোহাৰ অচিৰাভা

দুচকুত আশাৰ উন্মীলন
ভৰি পৰে বুকুৰ পেৰা
প্ৰিয়া, তুমি জানাই
সিদিনা ময়েই দিছিলোঁ
হাতত তুলি
মেৰুণ ৰঙৰ লিপষ্টিক;
জানিছিলোঁ তোমাৰ চিনাকি দোকানৰ ঠিকনা
সি যে মোৰ শৈশৱৰ বন্ধু
নিভৃতে কৈছিলে ঃ লিপষ্টিকটো দিয়াচোন ভণ্টিক
আস, ক'তে মৰোঁ মই
চকুত চকু থৈ
হাঁহিৰে আলিংগণ কৰিছিলোঁ
বুকুত এমুঠি সেউজী সপোন
অপলক দৃষ্টিৰে চাই আছিলোঁ
তুমি অদৃশ্য হোৱালৈকে
যেন পিছে পিছে চকু দুটাও গৈছিল।

## নিঃশব্দতা

**অংকুৰজ্যোতি হাতীমূৰীয়া**
জয়সাগৰ, শিৱসাগৰ

মনে বিচৰা দৰে সকলো হোৱা হ'লে,
এই জীৱনত একো বেজাৰেই নাথাকিলহেঁতেন।
তোমাৰ নামত বৈ থকা নীৰৱ ভাৱনাবোৰ,
মই বুকুৰ কোণত টোপোলা বান্ধি নাৰাখিলোহেঁতেন।
মোক এতিয়া নালাগে কোনো বিশাল হৃদয়,
নালাগে মিছা সান্ত্বনাৰ গভীৰ আশ্বাস।
মাথোঁ এখিলা উকা বগা কাগজ হ'লেই হ'ব,
য'ত সামৰিম মোৰ অতৃপ্ত আশাৰ নিশ্বাস।
লিখিলেই জানো শেষ হয় হৃদয়ৰ বেদনা?
শব্দই জানো ঢাকিব পাৰে মনৰ বিষাদ?
তথাপি নীলা চিয়াঁহীৰে যেতিয়া বৈ আহে বেদনা,
মনটো অলপ পাতল হয়, পায় অলপ সকাহ।
কোলাহলপূৰ্ণ পৃথিৱীত নাই মোৰ শান্তিৰ ঠিকনা,
মৌনতাইহে আনে জীৱনলৈ অনন্ত প্ৰশান্তি।
সেয়ে আজি মই শব্দৰ পৰা আঁতৰি গৈছো,
মৌনতাৰ বুকুত বিচাৰি লৈছো মোৰ ক্লান্তি।
এই মৌনতাই মোৰ শেষ প্ৰাৰ্থনা, মোৰ ধ্যান,
এই নীৰৱতাই মোৰ অস্তিত্বৰ একমাত্ৰ আপোন ঘৰ।
য'ত নাই কোনো হেৰুৱাৰ শংকা, নাই প্ৰশ্নৰ মেলা,
মাথোঁ আছে নিজৰ মাজত নিজকে পোৱাৰ আশ্ৰয়।

**ম'বাইল ঃ ৮৬৩৮৪-৮০৭৯০**

## ভঙা চাইকেল আৰু এজনী ছোৱালী

**জ্যোতিমণি মাহন্ত**

ৰ'দজাক ক্ৰমাৎ চোকা হৈ আহিছে মূৰৰ ওপৰত
গাঁৱৰ সেই একা-বেঁকা জনহীন আলিয়েদি-
আগবাঢ়ি যায় তাই, বুকুত একাঁজলি সপোন লৈ
লগত কেৱল দেউতাকে এৰি যোৱা পুৰণি ভঙা চাইকেলখন।
মামৰে ধৰা হেণ্ডেলডালত তাইৰ কোমল হাতৰ খোপনি
চেইনডাল সঘনাই সলকি পৰে, যেন ভাগ্যৰ দৰেই,
কেতিয়াবা চকাটোৱে কৰে বৰকৈ আমনি
তথাপিও তাইৰ খোজত নাই কোনো ভাগৰৰ চিন।
দুপৰীয়াৰ বতাহজাকে তাইৰ উৰি থকা চুলি কোছা চুমি যায়
কপালৰ ঘামবোৰে কয় এক অনামী সংগ্ৰামৰ কথা,
পেদেল মৰাৰ প্ৰতিটো যান্ত্ৰিক শব্দতে যেন বাজে-
দৰিদ্ৰতা আৰু সপোনৰ মাজৰ এক মৌন যুদ্ধৰ কৰুণ সুৰ।
ভঙা চাইকেলখনেই এতিয়া তাইৰ আকাশ কঢ়িওৱা পাখি
যিয়ে কঢ়িয়াই নিয়ে এখন গধুৰ বেগ,
ঘৰৰ অভাৱ আৰু মাকৰ শেঁতা হাঁহিটোৱে তাইক সোঁৱৰাই দিয়ে
তাই যে হাৰ মানিলে নহ'ব, তাই যে জিকিবই লাগিব।
পথৰ কাষৰ মানুহবোৰে যেতিয়া তাই লৈ চাই
কোনোবাই উপলুঙা কৰে অথবা হাঁহি মাৰি কয়,
এজনী ছোৱালী হৈ ইমান দূৰ চাইকেল চলাই যাব নালাগে
অচিনাকী শংকাবোৰ তাই মোহাৰি থৈ যায় চকাৰ প্ৰতিটো ঘূৰ্ণনত।
কলেজৰ ডাঙৰ অট্টালিকা আৰু নতুন মানুহবোৰৰ ভিৰত
তাইৰ ভঙা চাইকেলখনেই তাইৰ একমাত্ৰ আপোন সংগী।
তাই এজনী সাধাৰণ ছোৱালী নহয়, তাই এক সংগ্ৰামৰ কবিতা।
চহৰীয়া বতাহজাকত উৰি ফুৰে সুগন্ধি দ্ৰব্যৰ গোন্ধ
তাৰ মাজতেই তাই কঢ়িয়াই ফুৰে ঘাম আৰু শ্ৰমৰ
এক নিজস্ব সুবাস, চকচকীয়া জোতা আৰু দামী বেগৰ সেই আভিজাত্যৰ ভিতৰত
তাই থিয় হয়- হাতত পুৰণি কিতাপ আৰু এটা সংকল্প লৈ।
কেতিয়াবা ক্লাছৰ খিৰিকীৰে তাই দূৰলৈ চাই পঠিয়ায়
চাইকেলৰ সেই ভঙা পেদেলডালে তাইৰ বুকুত টুকুৰিয়াই যায়,
আজি এইখন চাইকেলেই তাইৰ বাবে এক অক্ষয় আশীৰ্বাদ।

**ম'বাইল ঃ ৮৮২২৭-৭৫৬৮৬**

# লিডুত ২৯ আৰু ৩০ আগষ্টত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম জনগোষ্ঠীয় সমন্বয় সন্মিলনৰ আয়োজন

## জনগোষ্ঠীয় সমন্বয় সন্মিলনত জুবিন গাৰ্গৰ সহধৰ্মিনী গৰিমা শইকীয়া গাৰ্গ আৰু কণ্ঠশিল্পী জুবলীয়ে অংশগ্ৰহণ কৰিব

**ৰমেন ভৰালী বংশৰ ঃ** অসম সাহিত্য সভাৰ উদ্যোগত স্বজাতীয় মৈত্ৰীবন্ধন উপসমিতি আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ সহযোগত লিডু শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত অহা ২৯ আৰু ৩০ আগষ্টত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে লিডু ৰে'লৱে ৰংগমঞ্চ, লিডু, তিনিচুকীয়াত 'অসম জনগোষ্ঠীয় সমন্বয় সন্মিলন'ৰ আয়োজন কৰা হৈছে। ঐক্য শান্তি সমন্বয়ৰে অসমত যুগ যুগ ধৰি শান্তি-সম্প্ৰীতিৰে বসবাস কৰি অহা, বুকু ফিন্দাই অসমীয়াৰ পৰিচয় দিয়া জনগোষ্ঠীয় সাহিত্য সংগঠনসমূহৰ মূল বিষয়ববীয়াসকলৰ লগত ভাব বিনিময় আৰু সমন্বয়ৰ শৈলসেতু নিৰ্মাণৰ প্ৰচেষ্টাৰ অন্যতম এই কাৰ্যসূচী। সকলো জনগোষ্ঠীৰ নেতৃস্থানীয় ব্যক্তিসকলক সাহিত্য সভাৰ পবিত্ৰ পতাকাৰ তলত সমৱেত কৰোৱাৰ উদ্দেশ্যেৰে অহা ২৯ আগষ্টত পুৱা ৮ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব লিডু স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি ড° ৰঞ্জিত দত্তই, পুৱা ৮-৩০ বজাত স্মৃতি তৰ্পণ কৰিব তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ চাংমাই আৰু লিডু স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক দীপক চেতিয়াই, পুৱা ৯ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত জন্মশতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্য অনুষ্ঠান আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব বিশিষ্ট সাংবাদিক, সাহিত্যিক জগত চাংমাই, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অমৰ গীত 'মানুহে মানুহৰ বাবে' ১০০ গৰাকী শিল্পীয়ে সমৱেত কণ্ঠত পৰিৱেশন কৰিব। ইয়াৰ পিছতে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান উদ্বোধন কৰিব ৰাজহ চক্ৰ বিষয়া, মাৰ্ঘেৰিটাৰ জ্ঞানজ্যোতি দত্তই, পুৱা ১১-০০ বজাত 'জনগোষ্ঠীয় বিদ্যায়তনিক আলোচনা-চক্ৰ'ত সভাপতিত্বত কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে, আদৰণী ভাষণ দিব আদৰণী সমিতিৰ সভাপতি ড° ৰঞ্জিত দত্তই, 'জনগোষ্ঠীয় বিদ্যায়তনিক আলোচনা-চক্ৰ'ত আলোচক হিচাপে উপস্থিত থাকিব প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়, গুৱাহাটীৰ উপাচাৰ্য অধ্যাপক ড° স্মৃতি কুমাৰ সিংহ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ সহকাৰী অধ্যাপক, সু-সাহিত্যিক, ড° ফাগুনা বৰমহলীয়া, ডুমডুমা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° কৰ্মী খালেন, দেউৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° যড়ানন দেউৰী, বিশিষ্ট সাহিত্যিক ড° অমিয়া পাতৰ, বিশিষ্ট সাহিত্যিক ড° টি কে চাংমা, মৰাণ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° তুলসী সোণোৱাল, কাৰবি লামমেত আমেই প্ৰাক্তন সভাপতি কামসিং হান্সে, বিশিষ্ট কবি, উপন্যাসিক অনিল পাংগিং, নিখিল ৰাভা সাহিত্য সভা, অসমৰ প্ৰাক্তন সম্পাদক বিশ্বনাথ ৰাভা তাৰা, মৰাণ সমাজ-সংস্কৃতিৰ বিশেষজ্ঞ যজ্ঞেশ্বৰ চেতিয়া, বিশিষ্ট সাহিত্যিক পেইম থি গোহাঁই, সন্ধিয়া সাহিত্য, কবিতা, গীতৰ আড্ডা উদ্বোধন কৰিব অসম সাহিত্য সভাৰ জিলা কেন্দ্ৰীয় প্ৰতিনিধি মোহন মৰাণে আৰু অনুষ্ঠানটিৰ আঁত ধৰিব অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ উপ-সভাপতি পুলক কুমাৰ গগৈয়ে, দ্বিতীয় দিনা অৰ্থাৎ ৩০ আগষ্টত পুৱা ১০ বজাত বিশেষ আকৰ্ষণ ঈশ্বৰ পুত্ৰ জুবিন গাৰ্গৰ সহধৰ্মিনী গৰিমা শইকীয়া গাৰ্গৰ সৈতে মত বিনিময় অনুষ্ঠান আৰু ৫০০ শিশুৱে সমৱেতভাৱে 'মায়াবিনী' পৰিৱেশনৰে জুবিন গাৰ্গলৈ বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। পুৱা ১১-০০ বজাত অসম সাহিত্য সভাৰ মাননীয় সভাপতি তথা জনগোষ্ঠীয় সাহিত্য সভা আৰু জাতীয় সংগঠনসমূহৰ সভাপতিসকলক লৈ এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধক কৰিব ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মাই, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব মটক সাহিত্য সন্মিলনৰ সভাপতি তৰুণ কুমাৰ গগৈয়ে, পুৱা ১২-০০ বজাত অসম জনগোষ্ঠীয় সমন্বয় সন্মিলনত সভাপতিত্বত কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱা, স্মৃতিগ্ৰন্থ উন্মোচন কৰিব তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই, উদ্দেশ্য ব্যাখ্যা কৰিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই, আদৰণী ভাষণ প্ৰদান কৰিব আদৰণী সমিতিৰ মুখ্য সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগে, অসম জনগোষ্ঠীয় সমন্বয় সন্মিলনত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰী, নিখিল ৰাভা সাহিত্য সভাৰ সভাপতি অমৰ সিং কোচ, দেউৰী সাহিত্য সভাৰ সভাপতি বগাৰাম দেউৰী, কাৰবি সাহিত্য সভাৰ সভাপতি খৰসিং ইংতি, মিচিং সাহিত্য সভাৰ সভাপতি হৰিনাৰায়ণ পেগু, গাৰো সাহিত্য সভাৰ সভাপতি বিচিত্ৰ ও চাংমা, তিৱা সাহিত্য সভাৰ সভাপতি হৰসিং খলাৰ, কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি দীজেন্দ্ৰ নাথ ভকত, চাওতাল সাহিত্য সভাৰ সভাপতি বেনগামীন চৰেং, ডিমাছা সাহিত্য সভাৰ সভাপতি ৰামেশ থাওচেন, পূৰ্ব্বাঞ্চল টাই সাহিত্য সভাৰ সভাপতি অতুল ফুকন, মৰাণ সাহিত্য সভাৰ সভাপতি ৰবীন মৰাণ, অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ সভাপতি সঞ্জয় কুমাৰ তাঁতী, অসম নেপালী সাহিত্য সভাৰ সভাপতি ড° চিন্তামণি শৰ্মা, চৰ-চাপৰি সাহিত্য সভাৰ সভাপতি ড° হাফিজ আহমেদ, জুবিন গাৰ্গৰ সহধৰ্মিনী গৰিমা শইকীয়া গাৰ্গ আৰু জনপ্ৰিয় কণ্ঠশিল্পী জুবলীৰ যুগলবন্দী এটি অনুষ্ঠান অনুৰ্ষ্ঠিত হ'ব বুলিও আহ্বায়ক সুনীল গুৰুং আৰু আদৰণী সমিতিৰ মুখ্য সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগে জানিবলৈ দিয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা

# নঞাৰ্থক চিন্তাই সুন্দৰ সমাজ নিৰ্মাণ নকৰে ঃ উপাচাৰ্য আহুজা


সভাই প্ৰকাশ কৰা আৰু পদ্মশ্ৰী ড° মংগলসিং হাজোৱাৰীয়ে বড়ো ভাষালৈ অনুবাদ কৰা ড° ভূপেন হাজৰিকাৰ গীতৰ সংকলনৰ উন্মোচক হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে কয়- 'সমন্বয়ৰ প্ৰাথমিক চৰ্ত হ'ল পাৰস্পৰিক বিশ্বাসবোধ। অসমৰ বহুভাষিক আৰু বহু সাংস্কৃতিক পৰিৱেশত বিভিন্ন জনগোষ্ঠীৰ মাজত পাৰস্পৰিক আস্থা আৰু বিশ্বাসে সহাৱস্থানৰ পৰিৱেশ সৃষ্টি কৰিব। ভাষাসমূহৰ মাজত প্ৰতিযোগিতাৰ পৰিৱৰ্তে সহযোগিতাৰ বাতাবৰণ গঢ়ি তোলাটোৱেই সকলোৰে লক্ষ্য হোৱা উচিত।' বন্দে মাতৰম, ৰাষ্ট্ৰীয় সংগীত, বিশ্ববিদ্যালয় সংগীত আৰু 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত বিশ্ববিদ্যালয়খন পঞ্জীয়ক ড° প্ৰহ্লাদ বসুমতাৰীয়ে আদৰণি ভাষণ প্ৰদান কৰি কয় যে পাঠ্যক্ৰমৰ গণ্ডীৰ ভিতৰত সীমাবদ্ধ নাৰাখি প্ৰকৃত অৰ্থত এগৰাকী শিক্ষিত ব্যক্তি হ'বলৈ প্ৰয়োজনীয় গুণসমূহ আয়ত্ত কৰাৰ কেন্দ্ৰ হিচাপে বড়োলেণ্ড বিশ্ববিদ্যালয়ক গঢ়ি তোলাৰ এয়া এক বিনম্ৰ প্ৰয়াস। সাংস্কৃতিক শিক্ষাই ব্যক্তিক সম্পূৰ্ণ কৰি তোলে আৰু প্ৰেম, সহাৱস্থান আদি মানৱীয় প্ৰমূল্যবোধৰ ধাৰণা বহন কৰে বুলিও তেওঁ উল্লেখ কৰে। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰম্পৰাগত দাউশ্ৰীদেলাই আৰু বিহুনৃত্যৰে অভ্যাগতসকলক আদৰণি জনায়। ড° ৰাতুল ডেকা আৰু ড° বাৰদৈচিলা নাৰ্জাৰীয়ে আঁত ধৰা অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰি অসম সাহিত্য সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই কয় যে বড়োলেণ্ড বিশ্ববিদ্যালয়ত আজি অসমীয়া জাতিৰ সমন্বিত ৰূপৰ এখন সুন্দৰ ছবি প্ৰতিফলিত হৈছে। অসম সাহিত্য সভাৰ সভাপতিৰ সৈতে বড়ো, ৰাভা, কোচ-ৰাজবংশী, নেপালী আৰু চাওঁতালী সাহিত্য সভাৰ সভাপতিসকল একেখন মঞ্চত একেলগে উপস্থিত হোৱাটোৱে জাতিৰ একতা আৰু সমন্বয়ৰ বাৰ্তা বহন কৰিছে। অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসনৰ পৰা বড়ো সাহিত্য সভাৰ সভাপতি গোপীনাথ বৰগয়াৰীয়ে কয় যে অসমৰ থলুৱা ভাষাসমূহৰ সংৰক্ষণৰ দায়িত্ব কেৱল সংশ্লিষ্ট জনগোষ্ঠীৰ লোকসকলৰ একক দায়িত্ব নহয়; ভাষিক বৈচিত্ৰ্য সংৰক্ষণৰ বাবে সমূহীয়া প্ৰচেষ্টা আৰু সহাৱস্থানৰ পৰিৱেশৰ প্ৰয়োজন। আনহাতে আন এগৰাকী বিশিষ্ট। অতিথি অসম নেপালী সাহিত্য সভাৰ সভাপতি ড° চিন্তামণি শৰ্মাই অসম সাহিত্য সভা আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ে সমন্বয়ৰ এক নতুন দৃষ্টান্ত স্থাপন কৰা বুলি মন্তব্য কৰে। ৰাভা সাহিত্য সভাৰ সভাপতি অমৰসিংহ কোচে অসমৰ প্ৰতিটো সৰু-বৰ জাতি-জনগোষ্ঠীৰ মাতৃভাষাক মৰম, আদৰ আৰু সন্মানেৰে জীয়াই ৰাখি অসমক সৰ্বাংগসুন্দৰ কৰি তোলাৰ আহ্বান জনায়। কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দিজেন্দ্ৰ নাথ ভকতে অসমীয়া ভাষা আৰু সংস্কৃতিৰ নিৰ্মাণত কোচ-ৰাজবংশীসকলৰ ঐতিহাসিক অৱদানৰ কথা উল্লেখ কৰে। আনহাতে, চাওঁতালী সাহিত্য সভাৰ সভাপতি ভায়া মোহন চৰেণে অসমৰ জনগোষ্ঠীসমূহৰ ভাষা আৰু সাহিত্যৰ মাজত থকা পাৰস্পৰিক প্ৰভাৱ আৰু সহযোগিতাৰ কথা উল্লেখ কৰি ইয়াক সমন্বয়ৰ এক ঐতিহাসিক ধাৰা বুলি অভিহিত কৰে। অনুষ্ঠানত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ চৈধ্যশতাধিক ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, অসম সাহিত্য সভাৰ বিষয়ববীয়াকে ধৰি বিভিন্ন সাহিত্য-সংস্কৃতিপ্ৰেমী উপস্থিত থকা অনুষ্ঠানটিত ড° জয়দ্বীপ নাৰ্জাৰীয়ে শলাগৰ শৰাই আগবঢ়ায়। এই সত্ৰৰ সামৰণিৰ পাছতে উদয় কুমাৰ শৰ্মা আৰু সুনীল বসুমতাৰীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্য সাহিত্য বিষয়ক বক্তব্য প্ৰদান কৰে। এই সত্ৰখনি আঁত ধৰে ড° শৰ্মিষ্ঠা ব্ৰহ্ম কৌৰে আৰু শলাগ জ্ঞাপন কৰে অধ্যাপক হিল্লোল কুমাৰ সিংহই।

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ত বিকশিত ভাৰতৰ বিশেষ কাৰ্যসূচী সম্পন্ন

## ৰাজ্যৰ নিৰ্বাচিত ৫ খন শৈক্ষিক অনুষ্ঠানৰ অংশ হ'ল শিক্ষানুষ্ঠানখন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ সভাকক্ষত ১৪ আগষ্টত Viksit Bharat Yuva Connect Programme 2026 ৰ অংশ হিচাপে আয়োজিত Nasha Mukt Yuva for Viksit Bharat সফলতাৰে সামৰণি পৰে। গৌৰৱৰ বিষয়যে, এই অনুষ্ঠান আয়োজন কৰিবলৈ Ministry of Youth Affairs & Sports, Govt. of India এ নিৰ্বাচন কৰি দিয়া অসমৰ ৫ খন শৈক্ষিক অনুষ্ঠানৰ ভিতৰত বিশ্ববিদ্যালয়খন অন্যতম হিচাপে পৰিগণিত হয়। যুৱ প্ৰজন্মক নিচাজাতীয় সামগ্ৰী সেৱনৰ ক্ষতিকাৰক প্ৰভাৱৰ বিষয়ে সজাগ কৰি তোলাৰ লগতে বিকশিত ভাৰত ২০৪৭ৰ প্ৰতি অৰিহণা যোগাবলৈ উৎসাহিত কৰাই আছিল অনুষ্ঠানটোৰ মূল উদ্দেশ্য। পুৱা ১০ বজাৰ পৰা মাই ভাৰত প'ৰ্টেলযোগে অংশগ্ৰহণকাৰীৰ পঞ্জীয়নৰে আৰম্ভ হোৱা অনুষ্ঠানৰ মূল কাৰ্যসূচী বন্দে মাতৰম পৰিৱেশনৰে আৰম্ভ হয় য'ত আদৰণি ভাষণ আগবঢ়াই বিশ্ববিদ্যালয়খনৰ উপ-পঞ্জীয়ক (শৈক্ষিক) তথা এন এছ এছৰ সমন্বয়ক ড° বিচিত্ৰ বিকাশে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশলৈ যুৱ আইকন চুমি শিখা বৰাই অনুপ্ৰেৰণামূলক বক্তৃতা আগবঢ়ায়। তেওঁ নিচামুক্ত অসম তথা ভাৰতৰ বাবে নতুন প্ৰজন্মক সচেতনতা বৃদ্ধিৰ বাবে গ্ৰহণ কৰিব লগা কাৰ্যপন্থা সম্পৰ্কে মতামত আগবঢ়ায়। অনুষ্ঠানত অংশলৈ উপাচাৰ্য অধ্যাপক অশোক কুমাৰ বৰাই ৰাষ্ট্ৰৰ বিকাশত যুৱ অংশগ্ৰহণৰ গুৰুত্ব আৰু বিকশিত ভাৰত অভিযানত যুৱক-যুৱতীসকলৰ দায়িত্বশীল আৰু গঠনমূলক সংযুক্তিৰ প্ৰয়োজনীয়তা সম্পৰ্কত মন্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আন এগৰাকী সমল ব্যক্তি হিচাপে উপস্থিত থাকি জুৰিন হেলমীয়ে মানসিক সুস্থতা, ধ্যান আৰু আধ্যাত্মিকতাই কিদৰে স্বাস্থ্যকৰ আৰু নীচামুক্ত জীৱন বৰ্তাই ৰাখিব পাৰি এই সম্পৰ্কে বক্তৃতা আগবঢ়ায়। তেওঁ ধ্যান, মানসিক ভাৰসাম্য আৰু আৱেগিক সুস্থতা বজাই ৰখাত স্বাস্থ্যৰ প্ৰাসংগিকতাকো মনোনিৱেশ কৰে। অনুষ্ঠানৰ লগত ৰজিতা খুৱাই শিক্ষা বিভাগৰ দ্বাৰা এখনি সজাগতামূলক নাটক পৰিৱেশন কৰাৰ লগতে উপস্থিত শিক্ষাৰ্থীসকলক ড° বিচিত্ৰ বিকাশে নীচামুক্ত ভাৰতৰ শপত গ্ৰহণ কৰায়। বিশ্ববিদ্যালয়খনৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক গৌৰৱ প্ৰতিম হাজৰিকাই শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটি ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে সামৰণি পৰে।

# গাঁওবুঢ়া ৰজনীকান্ত দাসৰ মৃত্যু, বংশৰত গভীৰ শোকৰ ছাঁ



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** কামৰূপ জিলাৰ বংশৰ গাঁৱৰ আমবাৰী আৰু নিজ বংশৰ ৰাজহ গাঁৱৰ চৰকাৰী গাঁওবুঢ়া ৰজনীকান্ত দাস ২৩ আগষ্টৰ পুৱা প্ৰায় ৫ বজাত দীৰ্ঘদিনীয়া অসুস্থতাৰ হেতু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। প্ৰয়াত দাস বংশৰ গাঁৱৰ মহিমামণ্ডিত শ্ৰীশ্ৰী গোপালথান সত্ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, আমবাৰী বৰখেল ৰাইজ গয়ৰহৰ প্ৰাক্তন সভাপতি, সদৌ বংশৰ সাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ প্ৰাক্তন সভাপতি তথা বংশৰ অঞ্চলৰ প্ৰায় সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল। তেখেতৰ বিয়োগৰ খবৰ গাঁওখনত বিয়পি পৰাৰ লগে লগে অঞ্চলজুৰি গভীৰ শোক ছাঁ পৰে আৰু বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰে। ৰজনীকান্ত দাস বিয়োগত হাজো-শুৱালকুছি বিধান সভাৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ উত্তৰ কামৰূপ জিলা সমিতি, জ্যেষ্ঠ নাগৰিক সন্মিলন, বংশৰ, পূৱ বংশৰ সমন্বয় যুৱ ঐক্য মঞ্চ, ২ নং পূৱ বংশৰ আঞ্চলিক ছাত্ৰ সন্থা আদিয়ে গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেখেতে পত্নী, তিনিগৰাকী পুত্ৰ-বোৱাৰী, এগৰাকী বিবাহিত জী আৰু নাতি-নাতিনী ইহসংসাৰত এৰি হৈ যায়।

# জামুগুৰিহাটৰ যুৱ সাংবাদিক চন্দন শৰ্মালৈ ২০২৬ বৰ্ষৰ ‘যুৱ সাংবাদিক প্ৰেৰণা সন্মান’ৰ বঁটা প্ৰদান

## ‘লিমাৰিকৰ ৰহঘৰা’ শীৰ্ষক গ্ৰন্থ উন্মোচন




**নিউজ ডেস্ক, গুৱাহাটী ঃ** সাহিত্য জগতৰ এটি পৰিচিত অনুষ্ঠান ‘শব্দৰ জোনাকত কবিতাৰ খেলা, অসম’ৰ পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনভাগ হোজাইত সফলৰূপে সম্পন্ন হয়। উক্ত গাম্ভীয্যপূৰ্ণ অনুষ্ঠানত শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ যুৱ সাংবাদিক চন্দন শৰ্মাক ২০২৬ বৰ্ষৰ ‘যুৱ সাংবাদিক প্ৰেৰণা সন্মান’ৰ বঁটা প্ৰদান কৰে। যুৱ সাংবাদিক গৰাকী ৰাষ্ট্ৰীয় বাতৰি কাকত ৰাষ্ট্ৰ সংবাদ, অসমীয়া বাতৰি কাকত জাৰ্নেলিষ্ট বাৰ্তা, অসম প্ৰৱাহ, ইংৰাজী বাতৰি কাকত দ্য আচাম জ্যোতিৰ লগতে বহুকেইটা ডিজিটেল চেনেলৰ লগত জড়িত হৈ বাতৰিসমূহ প্ৰচাৰ কৰি ৰাইজৰ মাজলৈ এক যোগাত্মক বাৰ্তা দিবলৈ সক্ষম হৈছে। অনুষ্ঠানৰ আৰম্ভণিতে বিশ্বৰ হামিং কিং তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে গুৱাহাটীৰ বিশিষ্ট কবি, সাহিত্যিক জোৎস্না ৰাণী বেগমে। এটি বৰগীত পৰিৱেশনৰে মূল সভাৰ শুভাৰম্ভ কৰা হয়। মূল সভাৰ সভাপতিৰ আসন অলংকৃত কৰে গোলাঘাটৰ বিশিষ্ট কবি, সাহিত্যিক দীপিকা ফুকনে। মুখ্য অতিথিৰ আসন অলংকৃত কৰে হোজাই জিলা সাহিত্য সভাৰ সভাপতি পদ্মকান্ত বৰাই, বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে হোজাই জিলা পৰিষদৰ সভানেত্ৰী জুনটি বৰাই। উক্ত অনুষ্ঠানত মৰিগাঁও জিলাৰ বিশিষ্ট কবি, সাহিত্যিক ৰীমা গায়ন বৰাৰ ‘লিমাৰিকৰ ৰহঘৰা’ শীৰ্ষক গ্ৰন্থও উন্মোচিত হয়। এই কেন্দ্ৰীয় অধিৱেশনৰ পৱিত্ৰ মঞ্চত বিশ্বনাথ চাৰিআলিৰ নবীন সাহিত্যিক তাপ্তি দুতি বৰাক কাব্য ৰত্ন বঁটা, জামুগুৰিহাটৰ ভাস্বতি ভূঞাক শিল্পী জ্যোতি সন্মান বঁটাৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিক বঁটা প্ৰদান কৰে।

# পিতৃ-মাতৃৰ পৰা ৬০ লাখ টকা চুৰি কৰি প্ৰেমিকাক সন্তুষ্ট কৰা চেষ্টা প্ৰেমিকৰ

**যোৰহাট ঃ** প্ৰেমিকাৰ বিলাসী জীৱনশৈলী চলাবলৈ নিজৰ পিতৃ-মাতৃৰ ঘৰৰ পৰা প্ৰায় ৬০ লাখ টকাৰ সোণৰ অলংকাৰ আৰু ২ লাখ টকা নগদ ধন চুৰি কৰাৰ অভিযোগ উত্থাপন হৈছে এজন যুৱকৰ বিৰুদ্ধে। অভিযুক্ত যুৱকজনক যশ ধানুকা বুলি চিনাক্ত কৰা হৈছে। অভিযোগ অনুসৰি, পিতৃ-মাতৃ ৰাজ্যৰ বাহিৰলৈ ভ্ৰমণলৈ যোৱাৰ সুযোগ লৈ যুৱকজনে ডুপ্লিকেট চাবিৰ সহায়ত ঘৰৰ লকাৰ খুলি সোণৰ অলংকাৰ আৰু নগদ ধন লৈ যায়। চুৰি কৰা ধন আৰু সোণৰ কিছু অংশ তেওঁ প্ৰেমিকা পাবলী দত্তৰ ওপৰত খৰচ কৰা বুলি অভিযোগ উঠিছে। অভিযোগ অনুসৰি, যুৱকজনে প্ৰেমিকাক ১ লাখ ৫৫ হাজাৰ টকা মূল্যৰ এটা আইফোন কিনি দিয়ে। ইয়াৰ উপৰি কিস্তিত প্ৰায় ২ লাখ টকা নগদ ধন দিয়াৰ লগতে দুয়ো একেলগে অৰুণাচল প্ৰদেশলৈ ভ্ৰমণলৈও যায় বুলি জানিব পৰা গৈছে। পিছত যুৱকজনৰ সন্ধান লাভ কৰি তেওঁক আহমেদাবাদৰ পৰা যোৰহাটলৈ ঘূৰাই আনে আৰক্ষীয়ে। জেৰা চলোৱাৰ সময়ত যশ ধানুকাই চুৰিৰ কথা স্বীকাৰ কৰা বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। অৱশ্যে তেওঁ দাবী কৰে যে ৰোহিত প্ৰসাদ ওৰফে ৰোহিত কুমাৰ নামৰ এজন ব্যৱসায়ীয়ে তেওঁক এই কাম কৰিবলৈ চাপ দিছিল আৰু চুৰি কৰা সোণ বিক্ৰী কৰাতো সহায় কৰিছিল। আৰক্ষীৰ মতে, এই ঘটনাত যশ ধানুকাৰ লগতে পাবলী দত্ত আৰু ৰোহিত প্ৰসাদো বৰ্তমান সন্ধানহীন হৈ আছে। চুৰি হোৱা সোণ আৰু নগদ ধন উদ্ধাৰৰ লগতে অভিযুক্তসকলৰ সন্ধানত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।




# ইটানগৰত জুডো প্ৰতিযোগিতাত অসমৰ অন্যতম অগ্ৰণী ক্ৰীড়া প্ৰতিষ্ঠান ‘চেম্পিয়নছ্ মেকাৰ একাডেমী’ৰ খেলুৱৈসকলে ৰাজ্যখনলৈ কঢ়িয়াই আনিছে বিপুল গৌৰৱ




**চন্দন শৰ্মা, তেজপুৰ ঃ** অৰুণাচল প্ৰদেশৰ ইটানগৰত অনুষ্ঠিত এক বিশেষ আমন্ত্ৰণমূলক জুডো প্ৰতিযোগিতাত অসমৰ অন্যতম অগ্ৰণী ক্ৰীড়া প্ৰতিষ্ঠান ‘চেম্পিয়নছ্ মেকাৰ একাডেমী’ৰ খেলুৱৈসকলে চমকপ্ৰদ প্ৰদৰ্শন দাঙি ধৰি ৰাজ্যখনলৈ কঢ়িয়াই আনিছে বিপুল গৌৰৱ। এই প্ৰতিযোগিতাখনত একাডেমীৰ সঞ্চালক তথা মুখ্য প্ৰশিক্ষক হৃদয়ানন্দ দাসৰ নেতৃত্বত যোৱা মুঠ ৬ জনীয়া এটি শক্তিশালী ক্ৰীড়া দলে অংশগ্ৰহণ কৰি ইতিপূৰ্বেই দুটাকৈ স্বৰ্ণ আৰু তিনিটাকৈ ব্ৰঞ্জৰ পদকসহ মুঠ ৫ টাকৈ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰাপ্ত বাতৰি অনুসৰি, যোৱা ১৯ আগষ্টত একাডেমী কৰ্তৃপক্ষই উক্ত প্ৰতিযোগিতাখনৰ বাবে এক বিশেষ নিমন্ত্ৰণ লাভ কৰিছিল। ইয়াৰ পিছতেই ২০ আগষ্টত দলটোৱে হৃদয়ানন্দ দাসৰ তত্ত্বাৱধানত ইটানগৰ অভিমুখে যাত্ৰা কৰে। ইটানগৰত উপস্থিত হৈ ২০ আগষ্টৰ দিনাই দলটোৱে খেলৰ অফিচিয়েল এন্ট্ৰী ফৰ্ম দাখিল কৰাৰ লগতে প্ৰতিযোগিতাৰ নিয়ম অনুযায়ী খেলুৱৈসকলৰ শৰীৰৰ ওজন (Weight) কৰোৱাৰ প্ৰক্ৰিয়া সম্পন্ন কৰে। ইয়াৰ পিছত ২১ আগষ্টত অনুষ্ঠিত হোৱা খেলত একাডেমীৰ খেলুৱৈসকলে তীব্ৰ প্ৰত্যাহ্বানৰ মাজেৰে নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাত একাডেমীৰ হৈ অংশগ্ৰহণ কৰা আগষ্টি ডেকা আৰু কুলজিৎ দাসে নিজ নিজ শাখাত ব্যতিক্ৰমী ক্ৰীড়া শৈলী প্ৰদৰ্শন কৰি স্বৰ্ণ পদক বুটলি বলৈ সক্ষম হয়। আনহাতে, দেৱনীভ বৰমূদৈ, কুলদীপ দাস আৰু নেচিম আহমেদে তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইয়াৰ উপৰিও একাডেমীৰ আন এজন প্ৰতিভাৱান খেলুৱৈ গিতাৰ্থ কলিতাইও মেটত অত্যন্ত সুন্দৰ খেল প্ৰদৰ্শন কৰে যদিও খেলৰ অন্তিম মুহূৰ্তত হোৱা সামান্য ভুলৰ বাবে অতি দুৰ্ভাগ্যজনকভাৱে পদকৰ দৌৰৰ পৰা বাহিৰ হ’বলগীয়া হয়। ২৩ আগষ্টত খেলৰ সামৰণি পৰা এই প্ৰতিযোগিতাখনত একাডেমীৰ এই সফলতাই এতিয়া সমগ্ৰ অঞ্চলটোতে আনন্দৰ জোৱাৰ তুলিছে। একাডেমীৰ সঞ্চালক তথা প্ৰশিক্ষক হৃদয়ানন্দ দাসে পদক বিজয়ী আৰু অংশগ্ৰহণকাৰী প্ৰতিগৰাকী খেলুৱৈকে তেওঁলোকৰ এই কৃতিৰ বাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। অনাগত দিনত খেলুৱৈসকলে কঠোৰ অনুশীলনৰ জৰিয়তে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অধিক সফলতা বুটলিব পাৰিব বুলিও তেওঁ আশাপ্ৰকাশ কৰে। উল্লেখ্য যে প্ৰতিযোগিতাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে Judo Federation of India (JFI)-ৰ নৱ-নিৰ্বাচিত সভাপতি মুকেশ কুমাৰ আৰু সাধাৰণ সম্পাদক তথা উত্তৰ-পূবৰ জুডো ক্ৰীড়াৰ পিতামহ বানীব্ৰত দাস।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০০৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা